**অসম বিধান সভা**

*তৰা যুক্ত প্ৰশ্ন নং–৪১

উত্তৰ দিব লগীয়া তাৰিখ-১৯/০২/২০২৬

**বিষয় :** শিক্ষক নিযুক্তি আৰু বিদ্যালয় সন্দৰ্ভত।

**বিধায়ক:** শ্ৰী দেৱব্ৰত শইকীয়া

প্ৰশ্নঃ

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) জিলানুযায়ী ১ জুন ২০২১ ৰ পৰা ৩১ জানুৱাৰী ২০২৬ চনৰ ভিতৰত প্ৰাথমিক, মাধ্যমিক, উচ্চ মাধ্যমিক, আৰু উচ্চতৰ মাধ্যমিক শাখাত কিমানজন শিক্ষকে যোগদান কৰিলে?

(খ) জিলানুযায়ী ১ জুন ২০২১ ৰ পৰা ৩১ জানুৱাৰী ২০২৬ চনৰ ভিতৰত হাইস্কুল শাখাত কিমানজন শিক্ষকে পদত্যাগ আৰু অৱসৰ গ্ৰহণ কৰিলে পৃথকে জনাব।

(গ) জিলানুযায়ী প্ৰাথমিক, মাধ্যমিক, উচ্চ মাধ্যমিক, আৰু উচ্চতৰ মাধ্যমিক শাখাত খালী থকা শিক্ষকৰ পদৰ সংখ্যা জনাব।

(ঘ) তলত দিয়া তালিকা অনুযায়ী ২০২৫বৰ্ষত শিক্ষক সকলক কিমান দিন নিয়োগ কৰা হল?

| ক্ৰমিক নং | কাৰ্য | নিয়োজিত দিনৰ সংখ্যা |
|---|---|---|
| ১ | শিক্ষাদান | |
| ২ | শিক্ষাজড়িত কৰ্মশালা | |
| ৩ | শিক্ষা অনানুসংগিক চৰকাৰী কামকাজ | |
| ৪ | অন্যান্য | |

(ঙ) জিলানুযায়ী কাৰ্যক্ষম বিজ্ঞান শাখা থকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংখ্যাবোৰ দিব।

(চ) বৰ্ষ অনুসৰি যোৱা দহ বছৰত জিলানুযায়ী অসমত কিমানখন উচ্চ মাধ্যমিক বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হল?

(ছ) এই বিদ্যালয় সমূহত উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান আৰু বানিজ্য শাখা কাৰ্য্যক্ষম অৱস্থাত আছে নে?

(জ) এনে ধৰণৰ উন্নীতকৰণ প্ৰক্ৰিয়াৰ পিছত উচ্চতৰ মাধ্যমিকৰ শিক্ষাদানৰ বাবে কিমানজন শিক্ষক নিয়োগ কৰা হল জনাব।

(ঝ) শিক্ষানীতি ২০২০ অনুসৰি প্ৰাথমিক শিক্ষাত মাতৃভাষাত শিক্ষাদানৰ প্ৰৱৰ্তনৰ ক্ষেত্ৰত চাহ জনজাতি অধ্যুষিত অঞ্চলৰ বিদ্যালয়ৰ বাবে চাহ জনগোষ্ঠীয় লোকসকলৰ বিভিন্ন ভাষাসমূহৰ ক্ষেত্ৰত কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি যদি হৈছে বিতং তথ্য দাঙি ধৰিব।

উত্তৰঃ

**মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিবঃ**

**(ক)** জিলানুযায়ী ১ জুন ২০২১ ৰ পৰা ৩১ জানুৱাৰী ২০২৬ চনৰ ভিতৰত প্ৰাথমিক, মাধ্যমিক, উচ্চ মাধ্যমিক, আৰু উচ্চতৰ মাধ্যমিক শাখাত যোগদান কৰা শিক্ষকৰ সংখ্যা তলত দিয়াত ধৰণৰঃ

নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়তঃ ৩৬৮৪২ জন।
জিলাভিত্তিক তথ্য **"সংলগ্ন-১"**ত দাখিল কৰা হৈছে।
উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়তঃ ২৪৬৩৪ জন।
জিলাভিত্তিক তথ্য **"সংলগ্ন-২"**ত দাখিল কৰা হৈছে।

আনহাতে, ২০২২-২৩ বিত্তীয় বৰ্ষৰ পৰা আদৰ্শ বিদ্যালয় সমূহৰ পৰিচালনাৰ দায়িত্ব আদৰ্শ বিদ্যালয় সংগঠন, অসমৰ আওঁতালৈ অনা হয়। উক্ত বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈকে

অসমৰ আদৰ্শ বিদ্যালয় সমূহত বিভিন্ন শাখাত যোগদান কৰা ৯০২ জন শিক্ষকৰ তালিকা **"সংলগ্ন-৩"** যোগে দাখিল কৰা হৈছে।

আকৌ, সমগ্ৰ শিক্ষাৰ অধীনত, এই সময়চোৱাৰ ভিতৰত **তলত দিয়া** ধৰণে চুক্তিভিত্তিক শিক্ষকে যোগদান কৰিছে—

| জিলাৰ নাম | নিম্ন প্ৰাথমিক | উচ্চ প্ৰাথমিক | মুঠ |
|---|---|---|---|
| ডিব্ৰুগড় | ০ | ১ | ১ |
| হোজাই | ২ | ০ | ২ |
| শ্ৰীভুমি | ২ | ০ | ২ |
| মৰিগাওঁ | ৫ | ১ | ৬ |
| তিনিচুকীয়া | ১ | ০ | ১ |
| মুঠ | ১০ | ২ | ১২ |

(খ) জিলানুযায়ী ১ জুন ২০২১ ৰ পৰা ৩১ জানুৱাৰী ২০২৬ চনৰ ভিতৰত হাইস্কুল শাখাত পদত্যাগ শিক্ষকৰ সংখ্যা-৭০৫ জন আৰু অৱসৰ গ্ৰহণ কৰা শিক্ষকৰ সংখ্যা ১৪১৫৬ জন।এনে শিক্ষকৰ জিলা ভিত্তিক সংখ্যা **"সংলগ্ন-৪"** ত দাখিল কৰা হৈছে।

আনহাতেআদৰ্শবিদ্যালয়সংগঠনৰঅধীনতহাইস্কুলশাখাতপদত্যাগশিক্ষকৰ সংখ্যা-৩৩৪ জন। এনেশিক্ষকৰজিলাভিত্তিকসংখ্যা**"সংলগ্ন-৫"** ত দাখিলকৰাহৈছে।

(গ) প্ৰাথমিক, মাধ্যমিক, উচ্চ মাধ্যমিক, আৰু উচ্চতৰ মাধ্যমিক শাখাত খালী হৈ থকা শিক্ষকৰ পদৰ সংখ্যা তলত দিয়াত ধৰণৰঃ

নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়তঃ ১৩৩৮১ টা।
জিলাভিত্তিক তথ্য **"সংলগ্ন-৬"**ত দাখিল কৰা হৈছে।
উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়তঃ ১০১২৭ টা।
জিলাভিত্তিক তথ্য **"সংলগ্ন-৭"**ত দাখিল কৰা হৈছে।

আনহাতে, আদৰ্শ বিদ্যালয় সংগঠনৰ অধীনত বৰ্তমানে ৭২ টা স্নাতক শিক্ষকৰ পদ আৰু ৩৩ টা প্ৰাথমিক পৰ্যায়ৰ শিক্ষকৰ পদ খালী আছে। আৰু ইতিমধ্যে এই কেইটা পদ পূৰণৰ বাবে প্ৰাৰ্থী বাচনি কৰা হৈছে আৰু অতি শীঘ্ৰেই উক্ত বাচনিকৃত প্ৰাৰ্থীসকলৰো বিদ্যালয় অনুপাতে খালী পদৰ বিপৰীতে যোগদানৰ ব্যৱস্থা কৰা হৈছে। পদ অনুসৰি সবিশেষ তথ্য **"সংলগ্ন-৮"** যোগে দাখিল কৰা হৈছে।

(ঘ) **সমগ্ৰ শিক্ষা, অসমৰ তথ্য অনুসৰি, ২০২৫ বৰ্ষত শিক্ষকসকলক নিয়োজিত কৰা তথ্য তলত দিয়া ধৰণৰঃ**

| ক্ৰ.নং | কাৰ্য | নিয়োজিত নৰ সংখ্যা |
|---|---|---|
| ১ | শিক্ষাদান | ২০৫ দিন(শৈক্ষিক দিনপঞ্জী অনুসৰি) |
| ২ | শিক্ষাজড়িত কৰ্মশালা | (ক) শিক্ষক প্ৰশিক্ষণ<br>(এল পি-TaLt)- ৪ দিন<br>(এল পি -নিপুণ)- ৩ দিন<br>(এল পি -FLN)- ৪ দিন<br>(ইউ পি -ইংৰাজী)- ৫ দিন<br>(উচ্চ-মাধ্যমিক-ইংৰাজী-বিজ্ঞান)-৫ দিন<br>(UDISE+)- ১ দিন (এজনকৈ)<br>(CwSN)-৫ দিন(এজনকৈ নিৰ্ধাৰিত ২৩২৩ বিদ্যালয়)<br>(এচ.এম.চি প্ৰশিক্ষণ)- ৩ দিন দুজনকৈ<br>(এচ.এম.ডি.চি প্ৰশিক্ষণ)-২ দিন ৩জনকৈ<br>(কেৰিয়াৰ পৰামৰ্শ প্ৰশিক্ষণ)-১ দিন ১ জনকৈ |
| ৩ | শিক্ষা অনানুষংগিক চৰকাৰী কামকাজ | কোনো শিক্ষকক শিক্ষা বিভাগৰ পৰা অনানুষংগিক কামকাজ নিয়োজিত কৰা নহয়। কিন্তু দেশৰ স্বাৰ্থত নিৰ্বাচনকে ধৰি অন্যান্য দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত ৰাইজৰ সুবিধাৰ অৰ্থে আৰু পাঠদান ক্ষতি নোহোৱাকৈ কিছু সংখ্যক শিক্ষকক জিলা ভিত্তিত জিলা কৰ্তৃপক্ষৰ ফালৰ পৰা কিছু অতিৰিক্ত দায়িত্ব দিয়া হয়। |
| ৪ | অন্যান্য | নাই |

(ঙ) **UDISE+ 2024-25 ৰ তথ্য অনুসৰি** জিলানুযায়ী কাৰ্যক্ষম বিজ্ঞান শাখা থকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা-২৫৫ খন আৰু **UDISE+ যোগে তথ্য দাখিল কৰা ৯১ খন মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক পৰ্যায়ত বিজ্ঞান শাখা আছে। এনে শিক্ষানুষ্ঠানৰ তথ্য "সংলগ্ন-৯"** ত দাখিল কৰা হৈছে।

(চ) অসমত ২০২১ বৰ্ষৰ আগত কোনো বিদ্যালয় উন্নীতকৰণ কৰা হোৱা নাছিল যদিও চৰকাৰী অধিসূচনা নং ASE.210/2013/Pt./91 তাং 19-08-2021 আৰু E-244416/8 তাং 11-01-2023 অনুসৰি ২০২১ বৰ্ষৰ ৰ পৰা এই

পৰ্যন্ত মুঠ ৪০৮ (চাৰিশআঠ) খন উচ্চ মাধ্যমিক বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰা হৈছে। উক্ত বিদ্যালয়সমূহৰ বৰ্ষ আৰু জিলা ভিত্তিক তালিকা **"সংলগ্ন-১০"** ত দাখিল কৰা হৈছে।

**(ছ)** উন্নীতকৰণ কৰা বিদ্যালয় সমূহত ৪০৪ (চাৰিশচাৰি) খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কলা শাখা আৰু ৪ (চাৰি) খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শাখা কাৰ্য্যক্ষম অৱস্থাত আছে। বৰ্তমান এই বিদ্যালয় সমূহত বাণিজ্য শাখা কাৰ্য্যক্ষম কৰা হোৱা নাই।

**(জ)** চৰকাৰী অধিসূচনা নং *ASE.210/2013/Pt./91* তাং *19-08-2021* আৰু *E-244416/8* তাং *11-01-2023* অনুসৰি চৰকাৰে অতিৰিক্ত শ্ৰেণীকোঠা সম্পন্ন আৰু পৰ্যাপ্ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী স্নাতক শিক্ষক থকা উচ্চ মাধ্যমিক বিদ্যালয় সমূহে উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰিছে। (উক্ত অধিসূচনাৰ প্ৰতিলিপি **"সংলগ্ন-১১"** ত দাখিল কৰা হৈছে)।এনে উন্নীতকৰণ প্ৰক্ৰিয়া সংশ্লিষ্ট বিদ্যালয়ৰ পৰা পোৱা প্ৰস্তাৱ আৰু যোগ্যতাসম্পন্ন শিক্ষক সংখ্যৰ পৰা একাদশ আৰু দ্বাদশ শ্ৰেণীত পাঠদানৰ বাবে ইচ্ছামূলক সন্মতি অনুসৰি ৰূপায়িত কৰা হয়। গতিকে উন্নীত কৰণ কৰা বিদ্যালয়ৰ ক্ষেত্ৰত তাৎক্ষণিক ভাৱে নতুনকৈ শিক্ষক নিযুক্তিৰ প্ৰয়োজন নহয়।

**(ঝ)** শিক্ষানীতি ২০২০ অনুসৰি প্ৰাথমিক শিক্ষাত মাতৃ ভাষাত শিক্ষাদান প্ৰৱৰ্তনৰ ক্ষেত্ৰত চাহ জনজাতি অধ্যুষিত অঞ্চলৰ বিদ্যালয়ৰ বাবে চাহ-জনগোষ্ঠীয় লোকসকলৰ বিভিন্ন, ভাষা সমূহৰ ভিতৰত *"SANTALI"* ভাষাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হৈছে-

১/ চৰকাৰী অধিসূচনা ই. নং 584609/58 তাৰিখ 29/03/2025 অনুসৰি, সন্তালী (Santali) ভাষা আৰু সংস্কৃতি সংৰক্ষণ আৰু প্ৰচাৰৰ বাবে আৰু সন্তালী (Santali) সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰী সকলে নিজৰ মাতৃ ভাষা বা ঘৰুৱা ভাষাত শিক্ষা লাভ কৰাটো নিশ্চিত কৰিবলৈ বিদ্যালয় শিক্ষা বিভাগৰ অধীনস্থ ৩৩৭ খন নিম্ন প্ৰাথমিক বিদ্যালয় (ক- শ্ৰেণী আৰু প্ৰথম শ্ৰেণী) ত শিক্ষাদানৰ মাধ্যম সন্তালী (Santali) ভাষা কৰা হৈছে।

২) প্ৰাথমিক বিদ্যালয়সমূহত শিক্ষাদানৰ মাধ্যম হিচাপে সন্তালী (Santali) ভাষা ৰূপায়ণৰ সন্দৰ্ভত আলোচনাৰ বাবে অসমৰ মাননীয় শিক্ষামন্ত্ৰীৰ কাৰ্যালয় কক্ষ, দিছপুৰত মাননীয় শিক্ষামন্ত্ৰীৰ সভাপতিত্বত ১৩/০৮/২০২৫ তাৰিখে এখন সভা অনুষ্ঠিত হৈছিল। আলোচনাৰ অন্তত তলত দিয়া প্ৰস্তাৱসমূহ গ্ৰহণকৰা হয়:

ক) প্ৰাথমিক শিক্ষা বিভাগৰ অধীনত নিয়মীয়া শিক্ষক হিচাপে সেৱা আগবঢ়াই থকা সন্তালী (Santali) ভাষাত দক্ষতা থকা শিক্ষকৰ তালিকা দাখিল কৰিবলৈ সন্তালী সাহিত্যপৰিষদক অনুৰোধ জনোৱা হৈছে।

খ) *SCERT'* আৰু সন্তালী (Santali) সাহিত্যপৰিষদে এই শিক্ষকসকলক অলচিকি লিপিৰে সন্তালী ভাষাত প্ৰশিক্ষণৰ আয়োজন কৰিব।

গ) সমগ্ৰ শিক্ষা, অসমক বিটিচি এলেকাৰ অন্তৰ্গত নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ যিসকল সন্তালী (Santali), যাৰদক্ষতা আছে, তেওঁলোকৰ মেপিং কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

ঘ) অসম চৰকাৰে ইতিমধ্যে সন্তালী (Santali) ভাষাত *CTET* অনুষ্ঠিত কৰাৰ বাবে আলোচনা কৰিছে।

ঙ) সন্তালী (Santali) মাধ্যমৰ তাৎক্ষণিক ৰূপায়ণ কৰিব পৰা বিদ্যালয়ৰ সংখ্যা, সন্তালী (Santali) ভাষাত দক্ষতা থকা শিক্ষকৰ উপলব্ধতাৰ তথ্যলাভ কৰাৰ পিছত পৰৱৰ্তী সভাত সিদ্ধান্ত লোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰে।

উক্ত প্ৰশ্নোত্তৰ সমূহ ৰাষ্ট্ৰীয় ই-বিধান আবেদন (নেভা) পৰ্টেলত (**National e-Vidhan Application (NeVA) Portal**) ত উপলব্ধ কৰা হৈছে।

**ASSAM LEGISLATIVE ASSEMBLY**
**STARRED QUESTION NO. 42**
**DATE OF REPLY: 19.02.2026**

**Sub : Forest Land and Eviction**
**Shri Abdur Rashid Mandal, MLA.**

Will the Minister of Environment, Forest and Climate Change Department be pleased to state:

(a) Details of Forest Lands in Goalpara district including relevant notifications of PRF, RF, Protected Areas etc. furnishing areas of each location.

(b) Area wise list of families evicted furnishing areas evacuated since 2017 to 01-02-2026 and amount of Govt. money spent.

(c) Details of Govt. properties like Pucca Roads, Schools, Dispensaries, PMAY (IAY) Houses, Electricity Lines and Poles, PWSS, IHHL, AWC, Roads Constructed by Rural Development Department be furnished showing the construction costs of the works.

(d) Is it true that records of Forest Offices and Circle Offices do not tally about the status of land in some areas like Ashudubi, Paikan, Rakhyashini, Hasilabeel Village, Sonapur Bhatipara? If yes, Why?

(e) Please furnish relevant rules, notifications, guidelines about Joint Verification by Forest Officials and District Forest Settlement Officer for demarcation of boundaries of Forest Areas like PRF, RF, Protected Areas etc. Is it true that the guidelines were not properly followed in Goalpara District during the period of 2021 to 01-01-2026? If yes, why?

**ANSWER:-**

Hon'ble Minister of Environment, Forest and Climate Change, etc., Sri Chandra Mohan Patowary will reply

**(a)** The details of Reserved Forest and Proposed Reserved Forest in Goalpara district along with its area is attached as **Annexure - A and Annexure - B.**

**(b)** The details of the eviction done in Reserved Forests of Goalpara District and the list of Families is placed as **Annexure - C and Annexure - D.**

Before the order of Hon'ble Gauhati High Court Order in Writ Petition (C) No. 251/2025 dated 18.08.2025, the following eviction procedure was followed.

Demarcation exercise of the notified Reserve Forests was conducted in coordination with the Revenue Department. After demarcation a general eviction notice was issued to all illegal occupants within the demarcated Reserve Forest area and public announcements were made in the concerned localities. Eviction notices were pasted on the structures found within the encroached forest land.

Adequate opportunity was provided to occupants to vacate voluntarily.

During this period, no specific or individual encroacher-wise list of families was prepared, as eviction was carried out based on illegal occupation within the demarcated Reserve Forest boundary rather than through individual case-wise proceedings.

The procedure was duly modified pursuant to the direction of the Hon'ble Gauhati High Court Order in the Writ Petition (C) No. 251/2025 dated 18.08.2025.

Pursuant to the directions of the Hon'ble Gauhati High Court, the procedure has been modified since the eviction in Dahikata RF. Individual notices were served to the identified encroachers and they were subsequently evicted.

(c) This is not related to Environment, Forest and Climate Change Department.

(d) There is no inconsistency or ambiguity in the legal status of the forest lands. The forest boundaries are demarcated on ground as per respective Government Notifications.

There are revenue villages by the name of Ashudubi and Paikan outside Paikan Reserved Forest and encroachers of Paikan RF themselves have given name of their encroached habitation in the same name of Ashudubi and Paikan village.

There is a revenue village by the name of Sonapur Batiapara near the boundary of Dahikata RF and encroachers of Dahikata RF themselves have given name of their encroached habitation in the same name of Sonapur Batiapara village.

Raakyasini falls under Rakyasini Proposed Reserved Forest.

At the time of eviction, Hasilabeel was recorded as Revenue Land and the eviction was carried out by Revenue Department as per Revenue laws. Subsequently, it was notified as Proposed Reserves Forest. Further, there is a revenue village in the name of Hasila outside the wetland area.

(e) The issuance of notification of PRF, RF and Protected Areas including settlement of rights by Forest Settlement Officer and Collector are governed by Assam Forest Regulation Act, 1891 and Wildlife Protection act, 1972. The role of Forest Settlement Officers and Collectors is only during the process of notification of RF and Protected areas and they do not have a role after the final notification.

The survey of encroachment in forest area in Goalpara has been carried out as per rules and in compliance with the order of the Hon'ble Gauhati High Court passed on 5th September, 2022 in *suo moto* PIL No. 01/2022 and Writ Petition (C) No. 251/2025 dated 18.08.2025. The action was undertaken only within the demarcated boundary of the notified Reserve Forest. Prior to eviction, the forest boundary had been physically verified and demarcated on the ground in conformity within the notified limits.

It is submitted that the eviction operations were carried out strictly in accordance with the provisions of the Assam Forest Regulation and as per relevant orders of Hon'ble Court, and no Government notification has been violated.

**N.B.** : All above mentioned Annexure are enclosed in NeVA CMS - Sign in

**********

Assam Legislative Assembly
Starred Question No.- 43
Date of Reply : 19/02/2026

Sub : Non-regularisation and delay in salary of Assistant Teacher of Rowriah L.P. School, Jorhat.

Name of MLA: Shri Hitendra Nath Goswami :

Will the Minister of School Education Department be pleased to state :

(a) Whether the Govt. is aware that Smti. Dipika Konwar, Assistant Teacher of Rowriah L.P. School, Jorhat district, has been serving on a purely temporary contractual basis as per appointment order of the Director of Elementary education, Assam vide order no. E-557122/17 dated 16-05-2025, issued on the basis of Cabinet Memorandum, though she was initially appointed on stipendiary basis in the year 1999 ?

(b) Whether the Govt. is further aware that the said teacher has not been regularised against any vacant regular post and is not drawing salary under the normal Head of Account i.e. Head-Gen-Edn-166 (Government Primary School Teachers), while other teachers of the same school are enjoying regular pay and service benefits ?

(c) Whether the Govt. is aware that the said teacher has successfully completed Junior Basic Training (JBT) in the year 2005. If so, what is the reason for non-regularisation of the teacher, against a vacant regular post in the district till date ?

(d) Whether the Govt. can clarify the reasons for delay in disbursement of salary to the said teacher after her joining on contractual basis, and why the necessary approval and financial sanction order has not yet been executed ?

(e) Will the Hon'ble Minister give a specific date to implement the order, issued by the cabinet memorandum dated 16-05-2025 ?

**ANSWER**

Hon'ble Education Minister Dr. Ranoj Pegu will reply :

(a) The Government is aware that Smti Dipika Konwar, Assistant Teacher of Rowriah L.P. School under Jorhat District, has been serving on a contractual basis with ROP benefits under the Directorate of Elementary Education, Assam.

(b) The Government is also aware that Smti Dipika Konwar was appointed on a contractual basis with ROP benefits under the Directorate of Elementary Education, Assam for Rowriah L.P. School, Jorhat District.

(c) As there was no vacant sanctioned post available for appointment on a contractual basis, she was appointed against a newly created contractual post with ROP benefits under the Directorate of Elementary Education, Assam.

(d) This is the first instance of appointment of a teacher on a contractual basis under the Directorate of Elementary Education, Assam. Accordingly, a new Head of Account was created for release of her salary. A proposal has been received from the Directorate of Elementary Education, Assam for payment of salary in respect of Smti Dipika Konwar, Assistant Teacher of Rowriah L.P. School under Jorhat District. The salary proposal has already been forwarded to the Finance (EC-III) Department for concurrence. Upon receipt of concurrence from the Finance (EC-III) Department, necessary sanction will be issued for release of her salary.

(e) As per the approval of the Hon'ble Cabinet, a Notification was issued by the Department of School Education regarding the recruitment of Smti Dipika Konwar as Assistant Teacher in Rowriah L.P. School under Jorhat District on a contractual basis with ROP benefits under the Directorate of Elementary Education, Assam.

(Answer of Starred Question No.43 is available in (www.cmsasla.neva.gov.in) eVidhan (NeVA) portal)

== // ==

# অসম বিধান সভা

তৰা যুক্ত প্ৰশ্ন নং – ৪৪

উত্তৰ দিয়া তাৰিখঃ ১৯/০২/২০২৬

**বিষয়ঃ** চৰ আৰু গ্ৰামীণ অঞ্চলৰ শিক্ষকৰ খালী পদ সম্পৰ্কে।

**বিধায়কঃ** শ্ৰী ওৱাজেদ আলী চৌধুৰীঃ

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

**(ক)** অসমৰ চৰ এলেকা আৰু গ্ৰামীণ ক্ষেত্ৰত থকা নিম্ন প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়সমূহত কিমান সংখ্যক পদ খালী হৈ আছে? বিদ্যালয়সমূহৰ নাম আৰু খালী পদৰ বিতং বিৱৰণ প্ৰদান কৰিব।

**(খ)** উক্ত খালী পদসমূহ পূৰণ কৰিবলৈ শিক্ষা বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে?

**(গ)** অসমৰ চৰ এলেকা আৰু গ্ৰামীণ ক্ষেত্ৰত থকা কিমান সংখ্যক নিম্ন প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ত এতিয়ালৈকে বিশুদ্ধ পানী আৰু টয়লেটৰ ব্যৱস্থা কৰিবলৈ বাকী আছে? নাম, ঠিকনাসহ বিতং তথ্য দাখিল কৰিব। এই অভাৱ পূৰণ কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে?

**(ঘ)** ছাত্ৰ অনুপাতে শিক্ষক নথকাৰ কাৰণে এনে বিদ্যালয়সমূহত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীসমূহৰ অসুবিধাৰ সন্মুখীন হৈছে, এই বিষয়ত চৰকাৰ অৱগত নে?

**(ঙ)**অসমত গ্ৰামাঞ্চলত চলি থকা ব্যক্তিগত বিদ্যালয়সমূহক মালিক বা পৰিচালক গোষ্ঠীয়ে B.Ed/ D.El.Ed./ TET ইত্যাদি, আৱশ্যক ডিগ্ৰীবিহীন শিক্ষক নিযুক্তি দিয়ে, গতিকে, অতি নিম্নমানৰ পাঠদান চলি থকা বিষয়ত চৰকাৰ অৱগত নে?

**(চ)** এনে বিদ্যালয়সমূহৰ ক্ষেত্ৰত চৰকাৰে কিবা বিহীত ব্যৱস্থা গ্ৰহণ কৰিছেনে? যদি কৰিছে, বিস্তাৰিত তথ্য প্ৰদান কৰিব।

**উত্তৰঃ**

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাং ৰণোজ পেগু দেৱে উত্তৰ দিবঃ

**(ক)** অসমৰ চৰ এলেকা আৰু গ্ৰামীণ ক্ষেত্ৰত থকা নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয় সমূহত থকা খালী পদৰ সংখ্যা হ'ল -

- নিম্ন প্ৰাথমিক বিদ্যালয় = ৮২০৮
- উচ্চ প্ৰাথমিক বিদ্যালয় = ৫০২৮টা
  মুঠ = ১৩,২৩৬টা।

বিদ্যালয় সমূহৰ নাম আৰু খালী পদৰ তালিকা **Annexure –I** হিচাবে সংলগ্ন কৰা হ'ল।

**(খ)** এই পদ সমূহ পূৰণৰ বাবে ইতিমধ্যে প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত ৪৫০০ টা খালী পদৰ বিজ্ঞাপন প্ৰকাশিত হৈছে আৰু নিযুক্তিৰ প্ৰক্ৰিয়া চলি আছে। বৰ্তমানে এই নিযুক্তি প্ৰক্ৰিয়াৰ অধীনত নথি-পত্ৰ পৰীক্ষণৰ কাম চলি আছে। এই নিযুক্তি প্ৰক্ৰিয়াত অসমৰ বিভিন্ন বিদ্যালয়ৰ খালী পদ সমূহ পূৰণ কৰাৰ ব্যৱস্থা কৰি থকা হৈছে।

**(গ)** UDISE+2025-26 (খচৰা) অনুসৰি অসমৰ চৰ এলেকা আৰু গ্ৰামীণ ক্ষেত্ৰত নিম্ন প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ত বিশুদ্ধ পানী আৰু টয়লেটৰ ব্যৱস্থা কৰিবলৈ বাকী থকা বিদ্যালয়ৰ তথ্য তলত দিয়া হৈছে।

| **বিদ্যালয়ৰ স্তৰ** | **খোৱা পানী** | **ছাত্ৰৰ শৌচাগাৰ** | **ছাত্ৰীৰ শৌচাগাৰ** |
|---|---|---|---|
| নিম্ন প্ৰাথমিক | ২০২ | ৩৯৩ | ২৩০ |
| উচ্চ প্ৰাথমিক | ২০ | ৯২ | ৫৯ |
| মাধ্যমিক | ৭ | ৩৩ | ২৮ |
| উচ্চতৰ মাধ্যমিক | - | ১০ | ৪ |
| সৰ্বমুঠ | ২২৯ | ৫২৮ | ৩২১ |

বিশুদ্ধ পানী আৰু টয়লেটৰ ব্যৱস্থাৰ প্ৰয়োজন থকা বিদ্যালয়ৰ নাম তালিকাসহ বিতং তথ্য **Annexure-II** ত সংলগ্ন কৰা হৈছে।

বিশুদ্ধ পানী আৰু টয়লেটৰ ব্যৱস্থাৰ প্ৰয়োজন থকা অৱশিষ্ট বিদ্যালয়সমূহৰ নাম তালিকা চলিত বিত্তীয় বৰ্ষৰ ভিতৰত সম্পূৰ্ণ কৰাৰ কাৰণে স্বচ্ছ ভাৰত মিছন, গ্ৰামীণ আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক অৰ্পণ কৰা হৈছে ।

**(ঘ)** শিক্ষকৰ অৱসৰ আৰু বদলিকৰণ এক গতিশীল আৰু অবিৰত প্ৰক্ৰিয়া, যাৰ বিষয়ে শিক্ষা বিভাগ সম্পূৰ্ণৰূপে অৱগত ।

ইতিমধ্যে কেইবা লানি নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰা হৈছে আৰু বৰ্তমানেও চলি আছে । আৰু এই নিযুক্তি প্ৰক্ৰিয়াৰ দ্বাৰা প্ৰাৰম্ভিক ভাৱে সমস্যা সমাধানৰ ফালে আগবাঢ়ি আছে ।

ইয়াৰ উপৰিও, ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নথকা বিদ্যালয়সমূহৰ ক্ষেত্ৰত ইতিমধ্যে Rationalization প্ৰক্ৰিয়াৰে বিষয়টো সমাধান কৰিবলৈ চৰকাৰে এখন অধিসূচনা জাৰি কৰিছে, যত, জিলা কৰ্তৃপক্ষক জিলা উপায়ুক্তৰ অনুমোদন সাপেক্ষে Rationalization প্ৰক্ৰিয়াটো সম্পন্ন কৰি তৎক্ষণিকভাৱে পূৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**(ঙ)** প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ দ্বাৰা ব্যক্তিগত প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষানুষ্ঠানসমূহত কৰ্মৰত শিক্ষক সকলৰ বৃত্তিগত অৰ্হতা B.Ed / D.El.Ed পৰীক্ষন কৰাৰ পাছতহে শিক্ষানুষ্ঠানখন, পৰিচালিত কৰিবলৈ প্ৰাক-অনুমতি প্ৰদান কৰা হয় । গতিকে প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত পৰ্যাপ্ত পৰিমানৰ শিক্ষকৰ বৃত্তিগত অৰ্হতা B.Ed/D.El.Ed নথকা কোনো বিদ্যালয় পৰিচালনা কৰিবৰ বাবে প্ৰাক-অনুমতি প্ৰদান কৰা হোৱা নাই।

NCTE নিৰ্দেশনা মতে চৰকাৰী বা প্ৰাদেশীকৃত বিদ্যালয়তহে নিযুক্তি হবৰ বাবে TET উত্তীৰ্ণ হোৱাটো বাধ্যতামূলক।

**(চ)** পৰ্যাপ্ত পৰিমাণৰ শিক্ষকৰ বৃত্তিগত অৰ্হতা B.Ed. /D.El.Ed. নথকা বিদ্যালয় পৰিচালনা কৰিবৰ বাবে চৰকাৰৰ দ্বাৰা প্ৰাক্ অনুমতি প্ৰদান কৰা নহয়।

(তৰা যুক্ত প্ৰশ্ন নং ৪৪ ৰ উত্তৰ আৰু Annexure- I & II e-Vidhan পৰ্টেলত উপলব্ধ)

******************

# অসম বিধান সভা
## তৰাচিহ্নিত প্ৰশ্ন নং -৪৫
## উত্তৰ দিয়াৰ তাৰিখ - ১৯-০২-২০২৬
## বিষয়ঃ মহাবিদ্যালয় সন্দৰ্ভত
## বিধায়ক: শ্ৰী দিগন্ত বৰ্মন:

### প্ৰশ্ন

মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) জিলা অনুযায়ী ২০২১ চনৰ পৰা ২০২৬ চনৰ ১ জানুৱাৰীৰ ভিতৰত আদৰ্শ মহাবিদ্যালয়বোৰত কিমানজন Assistant Professor নিযুক্ত কৰা হ'ল?

(খ) মহাবিদ্যালয় তথা আদৰ্শ মহাবিদ্যালয়ত Associate Professor আৰু Professor পদত কিমান গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক নিযুক্ত কৰা হ'ল?

(গ) তলত দিয়া তালিকা অনুযায়ী মহাবিদ্যালয়সমূহত খালী থকা পদৰ সৱিশেষ দাঙি ধৰিব।

| জিলা | মহাবিদ্যালয় | বিষয় | খালী পদৰ সংখ্যা |
|---|---|---|---|
| | | | |

(ঘ) বজালী মহাবিদ্যালয়খন ভট্টদেৱ বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ পিছত, ভট্টদেৱ বিশ্ববিদ্যালয় খনৰ শৈক্ষিক চৌহদ অন্য এক ঠাইলৈ স্থানান্তৰিত কৰা হ'ব নেকি? যদি হয়, তেন্তে স্থানান্তৰিত কৰাৰ পিছত বজালী মহাবিদ্যালয়খন আকৌ আৰম্ভ কৰাৰ কিবা পৰিকল্পনা গ্ৰহণ কৰা হৈছে নেকি?

(ঙ) জিলা অনুযায়ী কাৰ্য্যক্ষম সম্পূৰ্ণ বিজ্ঞান শাখা থকা মহাবিদ্যালয়সমূহৰ তালিকা দিব।

### উত্তৰ

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃৰণোজ পেগু দেৱে উত্তৰ দিব :-

(ক)২০২১ চনৰ পৰা ২০২৬ চনৰ ১ জানুৱাৰীৰ ভিতৰত আদৰ্শ মহাবিদ্যালয়বোৰত মুঠ ৩০০জন Assistant Professor নিযুক্ত কৰা হ'ল। ইয়াৰ জিলা ভিত্তিত তালিকা **পৰিশিষ্ট"ক"** ত সংলগ্ন কৰা হ'ল।

(খ) মহাবিদ্যালয় তথা আদৰ্শ মহাবিদ্যালয়ত সৰ্বমুঠ ৩৩ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক নিয়োগ কৰা হৈছে। ইয়াৰ তালিকা **পৰিশিষ্ট "খ"** ত সংলগ্ন কৰা হ'ল।

(গ) মহাবিদ্যালয়ত খালী থকা পদৰ সবিশেষ তালিকা **পৰিশিষ্ট "গ"**ত সংলগ্ন কৰা হ'ল। উক্ত তথ্য মহাবিদ্যালয়সমূহৰ পৰা সংগৃহীত।

(ঘ) স্থানান্তৰণ সন্দৰ্ভত কোনো সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ সকলো কাৰ্য পঠশালা আৰু মেধিকুছিত থকা কেম্পাছৰ পৰা নিয়ন্ত্ৰিত থাকিব। বজালী মহাবিদ্যালয়খন পুনৰায় আৰম্ভ কৰা বা নকৰা সম্পৰ্কত বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ পৰা কোনো প্ৰস্তাৱ চৰকাৰে পোৱা নাই।

(ঙ) জিলা অনুযায়ী কাৰ্য্যক্ষম সম্পূৰ্ণ বিজ্ঞান শাখা থকা মহাবিদ্যালয়সমূহৰ তালিকা **পৰিশিষ্ট "ঘ"**ত সংলগ্ন কৰা হ'ল।

*****

**বিঃ.দ্ৰ.** উত্তৰসমূহ অসম বিধানসভাৰ ৱেবছাইট **'www.cms.neva.gov.in'**ত আপল'ড কৰা হৈছে।

অসম বিধান সভা

তৰাচিহ্নিত প্ৰশ্ন নং-৪৬

উত্তৰ দিয়াৰ তাৰিখ- ১৯/০২/২০২৬

বিষয় ঃ প্ৰাথমিক স্কুল সমূহৰ মেৰামতি ও নানান সমস্যা।

বিধায়ক ঃ শ্ৰী ভাস্কৰজ্যোতি বৰুৱা ঃ

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰাথমিক স্কুল বিলাকৰ ঘৰ সমূহ মেৰামতিৰ অভাৱত জহি-খহি যোৱা পৰিলক্ষিত হৈছে। চৰকাৰে মেৰামতিৰ দিহা কৰিবনে ?

(খ) বিদ্যালয় সমূহত পৰ্য্যাপ্ত শিক্ষক নোহোৱা বাবে শিক্ষা দানৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা হৈছে। চৰকাৰে বিহীত ব্যৱস্থা লবনে ?

(গ) বিদ্যালয় সমূহত পাঠ্যপুথি সমূহ উচিত সময়ত সমবিতৰণ নহয়। এই বিষয়ে চৰকাৰে বিহীত ব্যৱস্থা ল'বনে ?

(ঘ) অসমত নৱম-দশম শ্ৰেণীৰ কিতাপ সমূহত থকা অধিকাংশ বিজ্ঞানৰ চিত্ৰ সমূহ পৰিস্কাৰ আৰু ৰঙীন কৰাৰ ব্যৱস্থা কৰিলে ছাত্ৰ-ছাত্ৰী সকলৰ বাবে বুজিবলৈ সহজ হয়। চৰকাৰে এই পদক্ষেপ ল'বনে ?

(ঙ) Private Sector স্কুলৰ লগত Government School বিলাকে Compete কৰিবৰ বাবে, প্ৰত্যেক স্কুলত অন্ততঃ দুটাকৈ E-Classroom ৰ কোঠাৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি ?

ঃ উত্তৰ ঃ

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু দেৱে উত্তৰ দিব ঃ

(ক) প্ৰাথমিক স্কুল সমূহৰ ঘৰবোৰ মেৰামতিৰ বাবে বৰ্তমানলৈ কোনো ধৰণৰ প্ৰস্তাৱ বিভাগীয় ভাৱে লাভ কৰা নাই। এই বিষয়ত উপযুক্ত প্ৰস্তাৱ লাভ কৰিলে প্ৰয়োজনীয় পৰীক্ষণ আৰু বিত্তীয় প্ৰাৱধানৰ ওপৰত ভিত্তি কৰি ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব।

উল্লেখ্য যে চাহ বাগানৰ অধীনৰ প্ৰাদেশীকৃত নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয় সমূহৰ ঘৰবোৰ মেৰামতিৰ বাবে প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ প্ৰথম পদক্ষেপ হিচাপে ১০০ খন বিদ্যালয়ৰ মেৰামতিৰ কাম হাতত লোৱা হৈছে আৰু এই ১০০ খন বিদ্যালয়ৰ ভিতৰত ৫২ খন বিদ্যালয়ৰ মেৰামতিৰ কাম ২০২৫-২৬ বিত্তীয় বৰ্ষত ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে আৰু ৪৮ খন বিদ্যালয়ৰ মেৰামতিৰ কাম সম্পূৰ্ণ হোৱাৰ পথত আগবাঢ়ি আছে।

(খ) চৰকাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয়সমূহত শিক্ষকৰ অভাৱ দূৰ কৰিবলৈ শিক্ষা সঞ্চালকালয় সমূহৰ পৰা সময়ে সময়ে শিক্ষক নিযুক্তিৰ বাবে পদক্ষেপ গ্ৰহণ কৰি থকা হৈছে।

মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত সময়ে সময়ে স্নাতকোত্তৰ শিক্ষক (Post Graduate Teacher) আৰু স্নাতক শিক্ষক (Graduate Teacher) ৰ নিয়োগ সম্পন্ন কৰা হৈছে। ২০২৫-২৬ বৰ্ষত সৰ্বমুঠ ৬৪৩৯ জন স্নাতক শিক্ষক আৰু ১২৬৮ জন স্নাতকোত্তৰ শিক্ষকক নিযুক্তি প্ৰদান কৰা হৈছে।

প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত খালী পদ সমূহ পূৰণৰ বাবে ইতিমধ্যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ৫৫৫০ টা খালী পদৰ বিজ্ঞাপন প্ৰকাশিত কৰা হৈছিল আৰু ০৯-১১-২০২৫ তাৰিখে নিযুক্তিৰ প্ৰক্ৰিয়া সম্পন্ন হৈছে। তাৰোপৰি প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত ৪৫০০ টা খালী পদৰ বিজ্ঞাপন প্ৰকাশিত হৈছে আৰু নিযুক্তিৰ প্ৰক্ৰিয়া চলি আছে আৰু বৰ্তমানে এই নিযুক্তি প্ৰক্ৰিয়াৰ অধীনত নথি-পত্ৰ পৰীক্ষণৰ কাম চলি আছে। এই নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন হলে পৰ্যাপ্ত শিক্ষক নোহোৱা বিদ্যালয়সমূহত শিক্ষক নিয়োগ কৰি শিক্ষক অভাৱ দূৰ কৰিব পৰা যাব।

সিপিঠিত....২

(গ) বিদ্যালয় সমূহত ১ (এক) এপ্ৰিলৰ পৰা পাঠ্যপুথি যোগানৰ বাবে শিক্ষা খণ্ড সমূহৰ পৰা আগতিয়াকৈ পাঠ্যপুথি সমূহ বিদ্যালয়ৰ প্ৰধান শিক্ষক/শিক্ষকৰ হাতত তুলি দিয়া হয়। বিদ্যালয়ে প্ৰতি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু বিনামূলীয়া পাঠ্যপুথিৰ প্ৰয়োজনীয়তা শিক্ষা সেতুৰ দ্বাৰা সংখ্যা নিৰ্দ্ধাৰণ কৰা হয়। এই ব্যৱস্থাৰ উপৰিও যদি কোনো বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ স্থানীয়ভাৱে তাৰতম্য ঘটে, তাৰ বাবে বিদ্যালয় সমূহৰ পৰস্পৰৰ মাজত পাঠ্যপুথিৰ আদান প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। ইয়াৰ উপৰিও বিদ্যালয় ভিত্তিত ৰাহি হোৱা পাঠ্যপুথিৰ দ্বাৰা বুক বেংক ৰ ব্যৱস্থা থাকে। এই ব্যৱস্থা সমূহৰ জৰিয়তে সাধাৰণতে সকলো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিনামূলীয়া পাঠ্যপুথি পাৱলৈ সক্ষম হয়।

অহা ২০২৬-২৭ শৈক্ষিক বৰ্ষৰ কাৰণে ইতিমধ্যে যোৱা ১০-০২-২০২৬ তাৰিখৰ পৰাই বিনামূলীয়া পাঠ্যপুথি সমূহ শিক্ষা খণ্ডলৈ প্ৰেৰণ কৰাৰ কাৰ্যসূচী আৰম্ভ হৈছে আৰু বৰ্তমানে চলি আছে।

(ঘ) অসম চৰকাৰে ইতিমধ্যে নৱম-দশম শ্ৰেণীৰ বিজ্ঞান পাঠ্যপুথিত থকা ছবি আৰু চিত্ৰসমূহ ৰঙীনভাৱে মুদ্ৰণ কৰাৰ ব্যৱস্থা কৰিছে।

(ঙ) অসম চৰকাৰে ইতিমধ্যে ৰাজ্যত মুঠ ৯,১৩৯ খন বিদ্যালয়ত Smart Classroom ৰূপায়ণ হৈ থকাৰ বিপৰীতে ৪,৩১০ খন বিদ্যালয়ৰ প্ৰতিখনতে দুটাকৈ Smart Classroom আৰু ৪,৮২৯ খন বিদ্যালয়ত এটাকৈ Smart Classroom ৰ জৰিয়তে পাঠদানৰ ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। সমগ্ৰ শিক্ষা, অসমৰ অধীনত পৰ্যায়ক্ৰমে প্ৰতিখন বিদ্যালয়তে দুটাকৈ Smart Classroom ৰ ব্যৱস্থা সম্পূৰ্ণ কৰাৰ পৰিকল্পনা আৰু কাৰ্যকৰীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

(তৰাচিহ্নিত প্ৰশ্ন নং-৪৬ৰ উত্তৰ (www.cmsasla.neva.gov.in) eVidhan (NeVA) পৰ্টেলত উপলব্ধ)

==//==

**Assam Legislative Assembly**
**Starred Question No. 47**
**Reply Date : 19/02/2026**

**Subject : Misappropriation of Govt. money etc.**

**Name of MLA : Shri Sherman Ali Ahmed**

**Question:**

Q. Will the Minister of School Education Deptt. be pleased to state :

(a) What action is taken on my letter no 45/D-3(i) (B)/2025-26 dated 03-10-2025 addressed to DEE for posting of teachers? Please furnish school-wise enrollment and existing teachers under Barpeta district (block-wise).

(b) What action is taken on the report of IS, Barpeta vide no. IS/BPT/Esstt/2024/5858 dated 17-06-2025 regarding misappropriation of various grants like PM-Shri, Sports Grant, Vidya Baibhav, PM-POSHAN etc. and collection of extra money in lieu of registration fees of class ix by Principal Mazid Ali ?

(c) Whether the DP drawn against Mohiruddin, CRCC vide no. IS/BDC/Esstt/DP/2024/1/2498 dated 26-02-2025 is concluded ? Please furnish details including the inquiry report of Mayurakhi Dutta.

(d) What action is taken on my letter no. 45/D-3(i)(B)/2024-25 dated 11-02-2025 regarding irregular appointment of SMC President of Uzirarchar High School?

(e) What action is taken on the report of DEEO, Barpeta vide no. BEE/CO-TCH-SCH/2022 dated 10-05-2023 regarding misappropriation of a huge amount of Govt. money by HM Anser Ali ? Please furnish details.

**Answer:**

**Hon'ble Minister of School Education Department, Dr. Ranoj Pegu will reply :**

(a) In connection with the letter No.45/D-3(i)(B)/2025-26, dated 03-10-2025, the details are mentioned below :-

i. Under the Directorate of Elementary Education, Assam, advertisements were published for LPS and UPS on the dtd. 26/12/2023 and dtd. 08/01/2025 for 6,700 Nos. of LP Schools, 3,350 Nos. of UP Schools, total 10,050 Nos. of vacant posts. Accordingly, as per Govt. approval, the recruitment for total 5550 Nos. posts have been completed on 09-11-2025, which includes, 3800 Nos. of posts of LP School teachers and 1750 Nos. of posts of UP School teachers.

ii. In connection with appointment of 5550 Posts of Regular LP/UP School teachers under DEE, Assam, total **97 Nos. of posts of Assistant Teacher in LP Schools** are advertised in Barpeta district.

iii. Accordingly, **27 nos. of LP Schools under Mandia block** were forwarded to Govt. for S1U approval for appointment and accordingly, the schools are approved by Govt. for appointment. .

*Here, it is stated that out of 27 Nos. of LPS under Mandia block, 15 Nos. of LP Schools were from the list provided through the letter No. 45/D-3(i)(B)/2025-26, dtd. 03-10-2025.*

iv. Here, it is stated that the posting of qualified candidates at any school have been completed through the process of Randomization.

v. 6 Nos. of eligible candidates of LP Schools have been appointed by way Randomization from the list provided.

vi. Similarly, **21 Nos. of Posts of Assistant Teacher in UP Schools, 10 Nos. of Posts of Hindi Teacher in UP Schools** and **16 Nos. of Posts of Science Teacher in UP Schools, TOTAL 47 NOS. in UP SCHOOLS** are advertised in Barpeta district.

vii. Accordingly, **14 nos. of UP Schools under Mandia block** were forwarded to Govt. for SIU approval for appointment and accordingly, the schools are approved by Govt. for appointment.

*Here, it is stated that out of 14 Nos. of UPS under Mandia block, 10 Nos. of UP Schools were from the list provided through the letter No. 45/D-3(i)(B)/2025-26, dtd. 03-10-2025.*

viii. Here, it is stated that the posting of qualified candidates at any school have been completed through the process of Randomization.

ix. 6 Nos. of eligible candidates of UP Schools have been appointed by way Randomization from the list provided.

x. However, the matter have been taken again and the schools under Mandia block (from the list provided) will be processed in the remaining 4500 Nos. of posts (LPS=2900 Nos. and UPS=1600 Nos.). The recruitment processes are in different stages & started and appointment will be given as per approval of the Higher Authority.

Further, the school wise enrollment and existing teachers List as per data received from DEEO, Barpeta is enclosed as **Annnexure-'A'**.

(b) Necessary action has been taken by the Director of Secondary Education, Assam, vide Order No. E-361006/256 dated 18/11/2025, wherein Mazid Ali, Principal of Bamundongra H.S. School has been debarred from exercising his duties and responsibilities as Principal and Drawing and Disbursing Officer (DDO).

The order E-361006/256 dated 18/11/2025 has been enclosed as **Annexure-'B'**.

(c) Departmental Proceeding was drawn by the office of the Inspectorate of Schools, BDC, Barpeta against Mohiuddin A/T of B.S. Kadamtala H.S. School (CRCC) vide his office letter No. IS/BDC/Esstt/DP/2024/1/2498 dated 26-02-2025 and Departmental Proceeding will be completed as soon as possible. A detailed report received from the Inspector of Schools, Barpeta, BDC, Barpeta is enclosed as **Annexure-'C'**.

(d) As per the report received from the Inspector of Schools, Barpeta vide letter no. EA-291/AQ/PT-1/2008 dated 14-02-2026, the Inspector has taken necessary action by requesting the Circle Officer, Baghbar Revenue Circle, Mandia, to authenticate the residential address of Rashidul Islam, SMDC President of Uzirar Char High School. The response is still awaited for further necessary action.

Letter no. EA-291/AQ/PT-1/2008 dated 14-02-2026 is enclosed as **Annexure-'D'**.

(e) In pursuance of the proposal of DEEO, Barpeta regarding the allegations of financial anomalies against Md. Anser Ali, H/T of Gharialmari LP School under BEEO, Mandia of District Barpeta, a Hearing was conducted in the Office of the DEE, Assam inviting all concerned related to this matter on 17.10.2023. However, the Committee decided that a re-verification of all vouchers/documents and audit of all financial documents/statements of last three years should be scrutinized. Accordingly, DEEO, Barpeta was requested to conduct a verification/ scrutinization drive of all documents as well as vouchers of last three years. However, DEEO, Barpeta vide his letter dated 06.02.2024 informed the Office of the DEE, Assam that Md. Anser Ali did not appear as well as not submitted any document for conducting the audit/verification drive.

As such, Md. Anser Ali, H/T of Gharialmari LP School under BEEO, Mandia was placed under suspension vide DEE, Assam's office order dated 22.02.2024 with immediate effect.

Further, the DEEO, Barpeta had again initiated the steps to conduct the verification/scrutinization/audit of all documents of last 3 years Ghorialmari LP School and forwarded the report to DEE, Assam vide his letter dated 19.07.2024 which states that Md. Anser Ali could not produce vouchers for an amount of Rs.5870/-. Therefore, as per the instruction of BEEO, Mandia, Md. Anser Ali deposited the unspent amount Rs.5870/- in the respective bank account of SMC of the school. Therefore, keeping drawal and disposal of departmental proceedings pending, Md. Anser All was reinstated in the Govt. service vide DEE, Assam's office order dated 18.08.2024.

(N.B. Soft copy of the reply alongwith annexures are uploaded in the National e-Vidhan Application (NeVA) Portal)

**********************************

অসম বিধানসভা

তৰাচিহ্নিত প্ৰশ্ন নং: ৪৮

উত্তৰ দিয়া তাৰিখ: ১৯/০২/২০২৬

বিষয়: ৰবীন্দ্ৰ ভৱন সম্পৰ্কে

বিধায়িকা: শ্ৰী মতী শিৱামণি বৰা :

মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ঐতিহ্যমণ্ডিত গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱন কোন চনৰ, কোন তাৰিখৰ পৰা বন্ধ কৰি ৰখা হৈছে ?

(খ) ২০২১-২২ চনৰ পৰা ২০২৪-২৫ চনলৈ ৰবীন্দ্ৰ ভৱন মেৰামতিৰ বাবদ কিমান পুঁজি ব্যয় কৰা হ'ল ? বৰ্ষ অনুসৰি সম্পূৰ্ণ তথ্য সদনত দাখিল কৰিব।

(গ) ৰবীন্দ্ৰ ভৱন শীঘ্ৰে মুকলি কৰি দিয়াৰ ক্ষেত্ৰত বিভাগৰ স্থিতি স্পষ্ট কৰিবনে ?

-উত্তৰ-

মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী বিমল বড়া মহোদয়ে উত্তৰ দিব :

**(ক)** ঐতিহ্যমণ্ডিত গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱন ১৭ জুন ২০২২ৰ পৰা বন্ধ কৰি ৰখা হৈছে।

**(খ)** ২০২১-২২ চনৰ পৰা ২০২৪-২৫ চনলৈ ৰবীন্দ্ৰ ভৱন মেৰামতিৰ বাবদ মুঠ ব্যয় কৰা পুঁজিৰ পৰিমান ৬৯.১৯৫১৪ লাখ টকা।

বৰ্ষ অনুসৰি সম্পূৰ্ণ তথ্য তলত উল্লেখ কৰা ধৰণৰ:

| বৰ্ষ | ব্যয় হোৱা টকাৰ পৰিমান |
|---|---|
| ২০২১-২২ | ৮.৫৯৩০০/- লাখ টকা |
| ২০২২-২৩ | খৰছ হোৱা নাই |
| ২০২৩-২৪ | খৰছ হোৱা নাই |
| ২০২৪-২৫ | ৬০.৬০২১৪/- লাখ টকা |

**(গ)** লোকনিৰ্মাণ (গৃহ) বিভাগৰ পৰা পোৱা তথ্য মতে পূৰ্বতে ৰবীন্দ্ৰ ভৱনটো ভাঙি নতুনকৈ পুনৰ নিৰ্মাণ কৰাৰ প্ৰস্তাৱ আছিল আৰু সেই অনুসাৰে আগতেই এটি প্ৰাককলন প্ৰস্তুত কৰা হৈছিল। কিন্তু শেহতীয়া নিৰ্দেশনা অনুসৰি বৰ্তমানৰ ৰবীন্দ্ৰ ভৱনটো সংৰক্ষণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে আৰু সেই অনুসাৰে ২.৭৯৩৬ কোটি টকাৰ প্ৰাককলন ইতিমধ্যে প্ৰস্তুত কৰা হৈছে।

XXXXXXOXXXXX

অসম বিধান সভা

* তৰা যুক্ত প্ৰশ্ন নং-৪৯

উত্তৰ দিয়াৰ তাৰিখঃ ১৯/০২/২০২৬

বিধায়কৰ নামঃ শ্ৰী মজিবুৰ ৰহমান

বিষয়ঃ  শিক্ষকৰ পদ নিয়মীয়াকৰণ।

**প্ৰশ্নঃ**

মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০২১ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈকে অসমত কিমানখন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে উন্নীতকৰণ কৰা হ'ল? (বিদ্যালয়ৰ তালিকা সদনত দাখিল কৰিব)।

(খ) উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহৰ বিষয় শিক্ষক সকলৰ পদ সমূহ নিয়মীয়াকৰণ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) বৰ্তমানলৈকে অসমত কিমানখন প্ৰাদেশিকৃত প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয় একত্ৰীকৰণ কৰা হ'ল? বৰ্তমান সময়তো বিদ্যালয় একত্ৰীকৰণৰ কাম চলি আছেনে? (জিলা ভিত্তিত বিদ্যালয়ৰ তালিকা সদনত দাখিল কৰিব)।

(ঘ) বিদ্যালয় একত্ৰীকৰণৰ ক্ষেত্ৰত চৰকাৰৰ কিবা নীতি নিৰ্দেশনা আছেনে? যদি আছে, নীতি নিৰ্দেশনাৰ কপি সদনত দাখিল কৰিব।

(ঙ) একত্ৰীকৰণৰ বাবে বিভিন্ন শিক্ষা খণ্ডৰ পৰা জিলা শিক্ষা-বিষয়ালৈ কিমান প্ৰস্তাৱ পঠিওৱা হৈছে? (জিলা ভিত্তিক প্ৰতিটো শিক্ষা খণ্ডৰ প্ৰস্তাবৰ প্ৰতিলিপি পৃথকে পৃথকে সদনৰ মজিয়াত দাখিল কৰিব)

**উত্তৰঃ**

মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিবঃ

(ক) ২০২১ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈকে অসমত মুঠ ৪০৮ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে উন্নীতকৰণ কৰা হ'ল। উক্ত বিদ্যালয় সমূহৰ তালিকা **"সংলগ্ন-ক"** দাখিল কৰা হৈছে।

(খ) চৰকাৰী অধিসূচনা নং ASE.210/2013/Pt./91 তাং 19-08-2021 আৰু E-244416/8 তাং 11-01-2023 অনুসৰি চৰকাৰে অতিৰিক্ত শ্ৰেণীকোঠা সম্পন্ন আৰু পৰ্যাপ্ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী স্নাতক শিক্ষক থকা উচ্চ মাধ্যমিক বিদ্যালয় সমূহহে উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰিছে। এনে উন্নীতকৰণ প্ৰক্ৰিয়া সংশ্লিষ্ট বিদ্যালয়ৰ পৰা পোৱা প্ৰস্তাৱ আৰু যোগ্যতাসম্পন্ন শিক্ষক সকলৰ পৰা একাদশ আৰু দ্বাদশ শ্ৰেণীত পাঠদানৰ বাবে ইচ্ছামূলক সন্মতি অনুসৰি ৰূপায়িত কৰা হয়। এই ব্যৱস্থাৰ জৰিয়তে উন্নীতকৰণ কৰা বিদ্যালয় সমূহ চলি আছে।

(গ) বৰ্তমানলৈকে অসমত ৫৩৬৭ খন নিম্ন প্ৰাথমিক বিদ্যালয়, ১৩৯ খন উচ্চ প্ৰাথমিক বিদ্যালয়, ২০৪ খন উচ্চ মাধ্যমিক আৰু ৩ খন জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় একত্ৰীকৰণ কৰা হৈছে। বিদ্যালয় একত্ৰীকৰণ এক নিৰন্তৰভাৱে চলি থকা প্ৰক্ৰিয়া। একত্ৰীকৃত বিদ্যালয়ৰ তালিকা **"সংলগ্ন-খ"** আৰু **"সংলগ্ন-গ"**ত উল্লেখ কৰা হৈছে।

(ঘ) আছে। বিদ্যালয় একত্ৰীকৰণৰ প্ৰক্ৰিয়াটো চৰকাৰৰ OM No.ASE.481/2016/164 dated:03/08/2021 ত উল্লেখ থকা নীতি নিৰ্দেশনা অনুসৰি ৰূপায়ণ কৰা হয়। ইয়াৰ কপি **"সংলগ্ন-ঘ"**ত উল্লেখ কৰা হৈছে।

(ঙ) একত্ৰীকৰণৰ বাবে বিভিন্ন শিক্ষা খণ্ডৰ পৰা জিলা শিক্ষা-বিষয়ালৈ ৩৮৫ টা প্ৰস্তাৱ পঠিওৱা হৈছে। এনে প্ৰস্তাৱ সমূহ **"সংলগ্ন-ঙ"**ত দাখিল কৰা হৈছে।

**(উক্ত প্ৰশ্নোত্তৰ National e-Vidhan Application (NeVA) পৰ্টেলত উপলব্ধ কৰা হৈছে)**

**অসম বিধান সভা**
**তৰাচিহ্নিত প্ৰশ্ন নং -৫০**
**উত্তৰ দিয়াৰ তাৰিখ - ১৯-০২-২০২৬**
**বিষয়ঃ Women কলেজৰ কাম বন্ধ হৈ থকা সম্পৰ্কে।**
**বিধায়ক: শ্ৰী আফতাব উদ্দিন মোল্লা :**

**প্ৰশ্ন**

মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

জলেশ্বৰ সমষ্টিৰ বায়চা থাৰু ভাজত নিৰ্মাণ হৈ থকা Women কলেজৰ কাম হঠাতে বন্ধ হৈ যোৱাৰ বিষয়ে বিভাগ অৱগত নে? যদি অৱগত, পুনৰায় কেতিয়া আৰম্ভ কৰিব, তথ্য সহকাৰে জনাব।

**<u>উত্তৰ</u>**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডা০ ৰণোজ পেগু দেৱে উত্তৰ দিব :-

জলেশ্বৰ সমষ্টিৰ বায়চা থাৰু ভাজত নিৰ্মান হৈ থকা Women কলেজৰ কাম হঠাতে বন্ধ হৈ যোৱাৰ বিষয়ে উচ্চ শিক্ষা বিভাগ সম্পূৰ্ণৰূপে অৱগত।

মুখ্য অভিযন্তা পিডব্লিউডি (স্বাস্থ্য আৰু শিক্ষা) বিভাগ তথা জিলা আয়ুক্ত গোৱালপাৰাৰ কাৰ্যালয় (উন্নয়ন শাখা) ই জনোৱা অনুসৰি vide letter No: Tech-II/ 112/ 2023/15, Dt, 2/2/2024 নিৰ্দেশ মৰ্মে উক্ত কামটো বাতিল কৰা হৈছে আৰু পৰৱৰ্তী কাৰ্য্য অনুসৰি, সংশ্লিষ্ট কাৰ্যবাহী অভিযন্তা গৰাকীক ডিএছআৰ আৰু পিএআৰ-2021 অনুসৰি বাকী থকা কামৰ প্ৰাক্কলন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে আৰু সেই অনুসৰি, বিভাগে বাকী থকা কামৰ আনুমানিক পৰিমাণ দাখিল কৰিছে। ধনৰ পৰিমাণ ২১,৫২,৯২,৯৯৮.০০, যাক দুটা ভাগত ভাগ কৰা হৈছে,

অৰ্থাৎ

1. উপলব্ধ অনুমোদিত পৰিমাণৰ ভিতৰত ভাৰসাম্যৰ প্ৰাক্কলনঃ ১৭,০৮,৯৮,৩৯৮.০০, টকা আৰু

2 অনুমোদিত পৰিসৰ সম্পূৰ্ণ কৰিবলৈ প্ৰয়োজনীয় অতিৰিক্ত পৰিমাণৰ আনুমানিক পৰিমাণঃ৪,৪৩,৯৪,৬০০.০০ টকা।

পৰিসৰ সম্পূৰ্ণকৰণৰ বাবে প্ৰয়োজনীয় পুঁজিৰ অনুমোদন বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু পুঁজি উপলব্ধ হোৱাৰ লগে লগে কামৰ বাবে টেণ্ডাৰ মুকলি কৰা হ'ব।

***এই উত্তৰৰ লগতে পৰিশিষ্ট 'নথি সংলগ্ন', অসম বিধানসভাৰ ৱেবচাইট 'www.cms.neva.gov.in' ত আপল'ড কৰা হৈছে।**

# অসম বিধান সভা

*** মৌখিক প্ৰশ্ন নং : ৫১**

**উত্তৰ দিয়াৰ তাৰিখ – ১৯/০২/২০২৬**

**বিষয়ঃ Advantage Assam আৰু অসম চৰকাৰ** **সদস্যৰ নামঃ শ্ৰী ৰেকিবুদ্দিন আহমেদ**

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) Advantage Assam 1.0 আৰু Advantage Assam 2.0 ত অসমত চৰকাৰী-বেচৰকাৰী খণ্ডৰ সৈতে চৰকাৰৰ কি কি বিভাগৰ কিমান কোটি টকাৰ বুজাবুজিৰ চুক্তি হৈছিল, ইয়াৰ জৰিয়তে অসমৰ বিভিন্ন খণ্ডত কিমান টকা বিনিয়োগ (Landing) হৈছে, কোনটো কোম্পানীত কিমান নিয়োগ সৃষ্টি হৈছে বিতংকৈ জনাব।

(খ) Advantage Assam 1.0 আৰু 2.0 অনুষ্ঠিত কৰোতে চৰকাৰৰ কিমান টকা ব্যয় হৈছিল জনাব।

(গ) অসমত ৰাজহুৱা উদ্যোগ কিমান আছে, লাভ আৰু লোকচানত চলি থকা উদ্যোগৰ নামৰ লগতে বিগত ৫ টা বিত্তীয় বৰ্ষত এই উদ্যোগসমূহৰ লাভ, লোকচানৰ তথ্য দাঙি ধৰিব।

(ঘ) ২০১৬ চনৰ পৰা অসমত কি কি ৰাজহুৱা খণ্ডৰ উদ্যোগ বন্ধ হ'ল, নতুনকৈ কি কি ৰাজহুৱা খণ্ডৰ উদ্যোগ মুকলি কৰা হ'ল বিতংকৈ জনাব।

(ঙ) অসমত থকা কোনটো ৰাজহুৱা খণ্ডৰ উদ্যোগত অসম চৰকাৰৰ কিমান বিনিয়োগ আছে বিতংকৈ জনাব।

(চ) শেহতীয়াকৈ ডাভ'চত অনুষ্ঠিত ৱৰ্ল্ড ইক'নমিক ফৰাম অসমে অংশ লোৱাৰ পিছত অসমলৈ কিমান বিনিয়োগ আহিল, কোনে কোনে বিনিয়োগৰ প্ৰতিশ্ৰুতি দিছে বিতংকৈ জনাব।

(ছ) ২০১৬ চনৰ পৰা এতিয়ালৈকে অসমত বিদেশী বিনিয়োগ ক'ত ক'ত হৈছে, বিতংকৈ জনাব।

## উত্তৰঃ

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়া দেৱে উত্তৰ দিবঃ

(ক) অসম চৰকাৰৰ দ্বাৰা আয়োজিত প্ৰথমখন বৃহৎ আন্তৰাষ্ট্ৰীয় বিনিয়োগ সন্মিলন Advantage Assam 1.0 অনুষ্ঠিত হৈছিল ২০১৮ চনৰ ফেব্ৰুৱাৰী মাহত। এই সন্মিলনৰ বিনিয়োগৰ গুৰুত্বপূৰ্ণ খণ্ডসমূহ আছিল কৃষি আৰু খাদ্য প্ৰক্ৰিয়াকৰণ, তথ্য প্ৰযুক্তি, ফাৰমাচিউটিকেলচ, পৰ্যটন, হস্ততাত আৰু বস্ত্ৰশিল্প তথা শক্তি (Petroleum আৰু Natural Gas)।

Advantage Assam 1.0 ত অসমত চৰকাৰী-বেচৰকাৰী খণ্ডৰ সৈতে হোৱা বিনিয়োগৰ সবিশেষ তথ্য **Annexure-1** ত সংলগ্ন কৰা হ'ল।

অসম ৰাজ্যত বিনিয়োগৰ বাবে এক পচন্দৰ ক্ষেত্ৰ হিচাপে উপস্থাপন কৰা আৰু অসম ৰাজ্যৰ আৰ্থিক উন্নয়নৰ গতি দ্ৰুত কৰাৰ উদ্দেশ্য লৈ অসম চৰকাৰৰ দ্বাৰা Advantage Assam 2.0 – Investment and Infrastructure Summit 2025 আয়োজিত কৰা হৈছিল।

Advantage Assam 2.0 – Investment and Infrastructure Summit 2025 ৰ পৰা ব্যক্তিগত খণ্ডৰ বিনিয়োগকাৰীৰ মুঠ বিনিয়োগৰ পৰিমাণ হৈছে ৫,১৮,২৯৫ কোটি টকা।

ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ৰ আন্তঃগাঁথনি পদক্ষেপ সমূহ, কেন্দ্ৰীয় PSU সমূহৰ বিনিয়োগ আদিকে ধৰি, বিভাগৰ ওচৰত উপলব্ধ তথ্য অনুসাৰে মুঠ ২৯৭ খন MoU স্বাক্ষৰিত হৈছে, যাৰ বিনিয়োগৰ পৰিমাণ ২,৭৭,৪৩৮.৯৭ কোটি টকা। (তালিকা **Annexure-2** হিচাপে সংলগ্ন কৰা হ'ল)

শীৰ্ষ সম্মিলন স্বাক্ষৰিত MoU সমূহ অ-প্ৰতিশ্ৰুতিমূলক আৰু অ-বাধ্যতামূলক আছিল। Advantage Summit সম্পন্ন হোৱাৰ পিছত উদ্যোগ সমূহৰ প্ৰাথমিক ভিত্তিমূলক কাম আৰম্ভ কৰা হয়, আৰু তাৰ ফলস্বৰূপে ১,৬৪,১৫২.৭০ কোটি টকাৰ ৮৯ টা প্ৰকল্প বৰ্তমান আগবাঢ়ি আছে আৰু বিভিন্ন স্তৰত ৰূপায়ণৰ অধীনত আছে। (তালিকা **Annexure-3** হিচাপে সংলগ্ন কৰা হ'ল)

| ক্ৰমিক নং | বিভাগ/শ্ৰেণী | MoU / প্ৰকল্পৰ সংখ্যা | বিনিয়োগৰ পৰিমাণ (টকা কোটি) | মন্তব্য |
|---|---|---|---|---|
| ১ | Advantage Assam 2.0 বিনিয়োগ আৰু আন্তঃগাথঁনি শীৰ্ষ সম্মিলনৰ সময়ত স্বাক্ষৰিত দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় MoU সমূহ | ২৯৭ | ২,৭৭,৪৩৮.৯৭ | সবিশেষ Annexure-2 ত সংলগ্ন কৰা হৈছে |
| ২ | ৰূপায়ণৰ অধীনত থকা প্ৰকল্পসমূহৰ তালিকা | ৮৯ | ১,৬৪,১৫২.৭০ | সবিশেষ Annexure-3 ত সংলগ্ন কৰা হৈছে |

এডভান্টেজ আছাম'ৰ দ্বিতীয় সংস্কৰণত জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰসমূহৰ সৈতে মুঠ ২৬৭৮ খন বিনিয়োগৰ বুজাবুজি চুক্তি (MoU) স্বাক্ষৰিত হৈছে। এই চুক্তিসমূহৰ জৰিয়তে ৭১২২.২৬ কোটি টকা বিনিয়োগৰ প্ৰস্তাৱ লাভ কৰা হৈছে। উক্ত MoU সমূহ বিভিন্ন খণ্ড যেনে উদ্যোগ, সেৱা, লজিষ্টিক আদি ক্ষেত্ৰত উদ্যোগ স্থাপন আৰু সম্প্ৰসাৰণৰ উদ্দেশ্যে স্বাক্ষৰিত হৈছে।

ইয়াৰে ৬২৩.৫১ কোটি টকা ইতিমধ্যে বিনিয়োগ হৈছে আৰু ৩৬১০.১৪ কোটি টকাৰ প্ৰকল্প বাস্তৱায়নাধীন হৈ আছে।

বিনিয়োগকাৰীৰ নাম, পুঁজিৰ পৰিমাণ, বিনিয়োগ ক্ষেত্ৰ আৰু কৰ্ম সংস্থাপনৰ পৰিমাণৰ তালিকা **Annexure-4** ত সংলগ্ন কৰা হ'ল।

(খ) **Advantage Assam 1.0** ৰ বাবে মুঠ খৰচ হৈছিল মাত্ৰ ৪৪,৭৪,৩৫,০২৩ টকা

বিত্তীয় বৰ্ষ ২০২৪-২৫ ত অসম চৰকাৰে **Advantage Assam 2.0 Investment and Infrastructure Summit** সৈতে সম্পৰ্কিত ব্যয় পূৰণৰ বাবে ২৫.০০ কোটি টকাৰ পৰিমাণ নিৰ্ধাৰণ কৰিছিল। সেয়েহে ২৫.০০ কোটি টকা টকা সম্পূৰ্ণৰূপে ব্যয় কৰা হৈছে। বিত্তীয় বৰ্ষ ২০২৫-২৬ ত অসম চৰকাৰে Advantage Assam 2.0 Investment and Infrastructure Summit সৈতে সম্পৰ্কিত ব্যয় পূৰণৰ বাবে ৩০.০০ কোটি টকাৰ পৰিমাণ নিৰ্ধাৰণ কৰিছিল। অৱশ্যে, এই পৰিমাণটো এতিয়াও ব্যয় হোৱা নাই ।

(গ) অসমত বৰ্তমান মুঠ ৪৬ (ছয়চল্লিছ) টা ৰাজহুৱা প্ৰতিষ্ঠান আছে।

প্ৰাপ্ত তথ্য অনুসৰি ইয়াৰে লাভজনক আৰু লোকচানত চলি থকা ৰাজহুৱা খণ্ডৰ উদ্যোগ/প্ৰতিষ্ঠান (PSU) সমূহ **Annexure-5** ত উল্লেখ কৰা হ'ল।

বিভাগত পোৱা তথ্য অনুসৰি বিগত ৫ টা বিত্তীয় বৰ্ষৰ উদ্যোগসমূহৰ লাভ আৰু লোকচানৰ তথ্য **Annexure-6** ত উল্লেখ কৰা হ'ল।

(ঘ) ২০১৬ চনৰ পৰা বৰ্তমানলৈকে অসমত ৪ (চাৰি) টা ৰাজহুৱা খণ্ডৰ উদ্যোগ/প্ৰতিষ্ঠান বন্ধ হৈ আছে। সেইসমুহৰ নাম আৰু ঠিকনা **Annexure-7** ত উল্লেখ কৰা হ'ল।

২০১৬ চনৰ পৰা বৰ্তমানলৈকে অসমত ১০ টা নতুন ৰাজহুৱা খণ্ডৰ উদ্যোগ মুকলি কৰা হৈছে। সেইসমুহৰ নাম আৰু ঠিকনা **Annexure-8** ত উল্লেখ কৰা হ'ল।

(ঙ) অসমত থকা ৪৬ (ছয়চল্লিছ) টা ৰাজহুৱা খণ্ডৰ উদ্যোগত অসম চৰকাৰৰ মুঠ বিনিয়োগৰ পৰিমাণ হ'ল ১৫,১৫৭.৭৫১ কোটি টকা। (তালিকা **Annexure-9** ত উল্লেখ কৰা হ'ল)

ইয়াৰ উপৰিও কেন্দ্ৰীয় ৰাজহুৱা উদ্যোগৰ নুমলীগড় ৰিফাইনেৰী লিমিটেড (NRL) ৩১০০.৯৬ কোটি টকা ইকুইটিত বিনিয়োগ কৰিছে। BCPL ত ১৪১.৭ কোটি টকা বিনিয়োগ কৰিছে। তাৰ উপৰিও ২২.৭৪ কোটি টকা Assam Valley Fertilizer and Chemical Company Ltd. ত অসম চৰকাৰে এতিয়ালৈকে বিনিয়োগ কৰিছে।

(চ) World Economic Forum (WEF) ৰ বাৰ্ষিক বৈঠক এটা বিশ্বস্তৰত স্বীকৃত মঞ্চ, য'ত চৰকাৰপ্ৰধান, মন্ত্ৰী, বৈশ্বিক বিনিয়োগকাৰী, বহুজাতিক কোম্পানি, বহুপাক্ষিক প্ৰতিষ্ঠান আৰু নীতি নিৰ্ধাৰকসকলে অংশগ্ৰহণ কৰে। মাননীয় প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ অনুমোদন অনুসাৰে, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ভাৰত চৰকাৰৰ প্ৰতিনিধি দলৰ অংশ হিচাপে ১৯ জানুৱাৰী পৰা ২৩ জানুৱাৰী, ২০২৬ লৈ ডাভ'চত অনুষ্ঠিত WEF ৰ বাৰ্ষিক বৈঠকত অংশগ্ৰহণ কৰে।

২০২৬ বৰ্ষৰ World Economic Forum ত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই 'পৰৱৰ্তী উদ্যোগিক যুগৰ বাবে ভৱিষ্যত-সাজু কৰ্মশক্তি সুৰক্ষিত কৰা (Securing a Future-Ready Workforce for the Next Industrial Era)' অধিবেশনত ৰাজনৈতিক নেতৃত্বধনকাৰী, উদ্যোগ প্ৰতিষ্ঠানৰ কৰ্তৃপক্ষ আৰু শৈক্ষিক মুৰব্বী সকলৰ সৈতে অংশগ্ৰহণ কৰে। অৰ্ধপৰিবাহী, ইলেক্ট্ৰনিক্স আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ খণ্ডভিত্তিক Roundtable ত অংশগ্ৰহণৰ যোগেদি অসম ৰাজ্যই নিজৰ TSAT অৰ্ধপৰিবাহী পৰিবেশ উপস্থাপন কৰিলে ।

এই অধিৱেশনত নীতি নিৰ্ধাৰক তথা বহুপাক্ষিক প্ৰতিষ্ঠানসমূহৰ মূৰব্বীসকলৰ সৈতে উচ্চস্তৰীয় বৈঠকসমূহো আয়োজন কৰা হৈছিল। ব্যাপক আলোচনাৰ মাজত অসম ৰাজ্যই নিজকে আন্তঃগাঁথনি, শক্তি, উদ্যোগায়ন আৰু দক্ষতা বিকাশৰ ক্ষেত্ৰত এক উদীয়মান ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰে।

অসম চৰকাৰৰ প্ৰতিনিধি মণ্ডলীয়ে বিভিন্ন খণ্ডত ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহৰ সৈতে আলোচনা কৰে। এই আলোচনাসমূহ অনুসন্ধানমূলক আৰু প্ৰাৰম্ভিক পৰ্য্যায়ৰ আছিল।

ডাভ'চত কোনো বাধ্যতামূলক চুক্তিপত্ৰ (MoU) স্বাক্ষৰ কৰা হোৱা নাছিল। তথাপিও, এই আন্তঃক্ৰিয়াসমূহৰ ভিত্তিত আগ্ৰহী প্ৰতিষ্ঠানসমূহৰ পৰা বিনিয়োগৰ আগ্ৰহৰ প্ৰকাশ পোৱা গৈছে, যিবিলাকক পৰৱৰ্তী কালত নিয়মীয়া প্ৰক্ৰিয়াৰে পৰীক্ষা কৰা হব।

আলোচনাসমূহত তলত উল্লেখিত খণ্ডসমূহ অন্তৰ্ভুক্ত আছিলঃ

- শক্তি আৰু বিদ্যুৎ।
- উৎপাদন আৰু সামগ্ৰী।
- ইলেক্ট্ৰনিক্স, ছেমিকণ্ডাক্টৰ আৰু ডিজিটেল আন্তঃগাঁথনি।
- বিমান চলাচল আৰু সম্পৰ্কীয় সেৱাসমূহ।

প্ৰাপ্ত বিনিয়োগ আগ্ৰহসমূহৰ সামগ্ৰিক সূচকীয় মূল্য প্ৰায় ১,১০,০০০ কোটি টকা । এইবোৰ প্ৰযোজ্য নিয়ম অনুসৰি আগবঢ়োৱা হ'ব।

(ছ) অসম ৰাজ্যত ২০১৯ চনৰ অক্টোবৰৰ পৰা ২০২৫ চনৰ মাৰ্চলৈকে বিত্তীয় বৰ্ষ অনুসৰি প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ ইকুইটিৰ প্ৰবাহ তলত দিয়া ধৰণৰ:

| ৰাজ্য | ২০১৯-২০ | ২০২০-২১ | ২০২১-২২ | ২০২২-২৩ | ২০২৩-২৪ | ২০২৪-২৫ | ২০২৫-২৬ |
|---|---|---|---|---|---|---|---|
| | নিযুত (Million) আমেৰিকান ডলাৰ হিচাপত | নিযুত (Million) আমেৰিকান ডলাৰ হিচাপত | নিযুত (Million) আমেৰিকান ডলাৰ হিচাপত | নিযুত (Million) আমেৰিকান ডলাৰ হিচাপত | নিযুত (Million) আমেৰিকান ডলাৰ হিচাপত | নিযুত (Million) আমেৰিকান ডলাৰ হিচাপত | নিযুত (Million) আমেৰিকান ডলাৰ হিচাপত |
| অসম | ২.৯৩ | ১১.১৯ | ৪.৪ | ২.০৯ | ০.২৩ | ২.৩৬ | ১৬.৮১ |

(ৰাজ্য সভাৰ পৰা সংগৃহিত)

যোৱা বছৰকেইটাত Advantage Assam 1.0 ৰ বাবে প্ৰত্যক্ষ বিদেশী বিনিয়োগ বৃদ্ধি পাইছে।

Advantage Assam 2.0 অনুষ্ঠানৰ পাছত, অসম চৰকাৰে Matheson Hydrogen India Private Limited ৰ সৈতে এখন বুজাবুজিৰ চুক্তি (MoU) স্বাক্ষৰ কৰিছে, যি ১,৫০০ কোটি টকাৰ প্ৰত্যক্ষ বিদেশী বিনিয়োগ (FDI) হৈছে।

(Annexure সমূহ অসম বিধান সভাৰ বেৱচাইট https://asla.neva.gov.in ত আপলোড কৰা হৈছে)

**অসম বিধান সভা**
**তৰাচিহ্নিত প্ৰশ্ন নং -৫২**
**উত্তৰ দিয়াৰ তাৰিখ - ১৯-০২-২০২৬**
**বিষয়ঃ শিক্ষানুষ্ঠান সমূহ প্ৰাদেশিকীকৰণ সম্পৰ্কে।**
**বিধায়ক: শ্ৰী জাকিৰ হুছেইন সিকদাৰঃ**

**প্ৰশ্ন**

মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত উচ্চ শিক্ষাৰ কি কি অনুষ্ঠান প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত হৈ আছে? পাকা বেতবাৰী সমষ্টিত কিমান শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণৰ পৰা এতিয়ালৈকে বঞ্চিত হৈ আছে? এই বঞ্চিত হৈ থকা শিক্ষানুষ্ঠানসমূহ চৰকাৰে কেতিয়া প্ৰাদেশিকীকৰণ কৰিব? সেই বিষয়ে জনাব।

খ) অসমৰ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত অধ্যাপকৰ কিমান পদ খালি আছে? তাৰ তালিকা দিব। খালি পদসমূহ কেতিয়া পূৰণ কৰা হ'ব? পাকা বেতবাৰী সমষ্টিত কোন কোন মহাবিদ্যালয়ত কি কি পদ খালি হৈ আছে তাৰ তালিকা দিব। এই খালি পদসমূহ কেতিয়া পূৰণ কৰা হ'ব? সদনত বিতংকৈ জনাব।

গ) অসমত বিভিন্ন মহাবিদ্যালয়ত কিমানজন টিউটৰ নিয়োজিত হৈ আছে তাৰ তালিকা দিব। পাকা বেতবাৰী সমষ্টিৰ অন্তৰ্গত কোন কোন মহাবিদ্যালয়ত কোনে কোনে টিউটৰ হিচাপে কৰ্মৰত হৈ আছে, তাৰ তালিকা দিব। এই টিউটৰসমূহৰ চাকৰি কেতিয়া প্ৰাদেশিকীকৰণ কৰা হ'ব? সেই বিষয়ে সদনত জনাব।

**উত্তৰ**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু দেৱে উত্তৰ দিব :-

ক) উচ্চ শিক্ষা বিভাগে "The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) Act, 2017" আৰু "Amendment Act 2018" আইনৰ আওতাৰ ভিতৰত থকা সকলো অ-প্ৰাদেশীকৃত মহাবিদ্যালয় ইতিমধ্যে প্ৰাদেশীকৃত কৰিছে।

শেহতীয়াকৈ অসম চৰকাৰে "The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) (Amendment) Act, 2025" সংশোধনী আইনৰ প্ৰণয়ন কৰিছে আৰু এই সংশোধনী আইনৰ ওপৰত ভিত্তি কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

খ) অসমৰ উচ্চ শিক্ষা বিভাগৰ অধীনৰ বিভিন্ন মহাবিদ্যালয় সমূহত মুঠ ১০৩৮ টা অধ্যাপকৰ পদ খালি হৈ আছে। তাৰ তালিকা <u>পৰিশিষ্ট **"ক"**</u> ত সংলগ্ন কৰি দিয়া হ'ল।এই পদ সমূহ পদোন্নতিৰ দ্বাৰা সোনকালে পূৰণ কৰিবলৈ প্ৰক্ৰিয়া চলি আছে।

পাকা বেতবাৰী সমষ্টিৰ অন্তৰ্গত হৰেন্দ্ৰ চিত্ৰা মহাবিদ্যালয়ত কোনো পদ বৰ্তমান খালি হৈ থকা নাই।

আনহাতে কাৰিকৰী শিক্ষা সঞ্চালকালয়ৰ অধীনত ৭খন অভিযান্ত্ৰিক মহাবিদ্যালয়ত বৰ্তমান বিভিন্ন বিভাগত ১৮টা অধ্যাপকৰ পদ খালী হৈ আছে। খালী থকা পদসমূহৰ বিৱৰণ তালিকা <u>পৰিশিষ্ট **"খ"**</u> ত সংলগ্ন কৰা হ'ল।

গ) অসমত বিভিন্ন মহাবিদ্যালয়ত ৮০৫ জন টিউটৰ অধ্যাপক নিয়োজিত হৈ আছে।পদসমূহৰ বিৱৰণ তালিকা <u>পৰিশিষ্ট **"গ"**</u> ত সংলগ্ন কৰা হ'ল।

পাকা বেতবাৰী সমষ্টিৰ অন্তৰ্গত হৰেন্দ্ৰ চিত্ৰা মহাবিদ্যালয়ত ১ জন টিউটৰ অধ্যক্ষ আৰু ১২ জন টিউটৰ অধ্যাপক কৰ্মৰত হৈ আছে। এই টিউটৰ সমূহৰ চাকৰি প্ৰাদেশিকীকৰণ বিষয়টো বিভাগৰ তৰফৰ পৰা চালিজাৰি চাই থকা হৈ আছে।পদসমূহৰ বিৱৰণ তালিকা <u>পৰিশিষ্ট **"ঘ"**</u> ত সংলগ্ন কৰা হ'ল।

***** এই উত্তৰৰ লগতে পৰিশিষ্ট 'নথি সংলগ্ন', অসম বিধানসভাৰ ৱেবচাইট 'www.cms.neva.gov.in' ত আপল'ড কৰা হৈছে।**

**অসম বিধান সভা**
***তৰা মুক্ত প্ৰশ্ন নং- ৫৩**
**বিধায়কৰ নাম: শ্ৰী জাকিৰ হুসেন লস্কৰ**
**বিষয়: Model Residential High School**
**উত্তৰ দিয়াৰ তাৰিখ: ইং ১৯/০২/২০২৬**

**প্ৰশ্নঃ**

মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করি জানাবেন কি:

ক) হাইলাকান্দি জেলার বন্ধুকমারা মডেল রেসিডেনসিয়াল হাইস্কুলের কাজ সম্পূর্ণ হওয়ার পর মাননীয় মন্ত্রী মহোদয় বিগত বছর উদ্বোধন করেছিলেন এবং এই মডেল রেসিডেনসিয়াল হাইস্কুলকে কেন্দ্রীয় বিদ্যালয়ে রূপান্তরিত করার জন্য একটি প্রস্তাব ছিল। সেই প্রভাবটি বাস্তবায়ন হবে কী?

(খ) যদি হয়, তাহলে কবে থেকে এই বিদ্যালয়ে পাঠদান কার্য চালু হবে ? বিস্তারিত জানানোর জন্য অনুরোধ করছি।

(গ) যদি কেন্দ্রীয় বিদ্যালয়ে রূপান্তরিত না হয় তাহলে মডেল রেসিডেনসিয়াল হাইস্কুল হিসেবে কবে থেকে পাঠদান কার্য চালু হবে? বিস্তারিত জানানোর জন্য অনুরোধ করছি।

**উত্তৰ:**

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী ড্ঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিবঃ

ক) হাইলাকান্দি জিলাৰ বন্দুকমাৰা মডেল ৰেচিডেঞ্চিয়েল হাইস্কুলখনৰ নিৰ্মাণ ইতিমধ্যে সম্পূৰ্ণ হৈছে। এই আন্তঃৰ্গাঠনিক কেন্দ্ৰীয় বিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ এটি প্ৰস্তাৱ আছে। এই প্ৰস্তাৱটো সন্দৰ্ভত অগ্ৰগতিৰ খতিয়ান তলত দিয়া ধৰণৰঃ

১. ৯-৪-২০২৫ তাৰিখে কেন্দ্ৰীয় বিদ্যালয় সংগঠনে যিসমূহ জিলাত কেন্দ্ৰীয় বিদ্যালয় নাই, তেনে জিলাত এনে বিদ্যালয় স্থাপনৰ বাবে প্ৰস্তাৱ বিচাৰিছিল।

২. সেই অনুসৰি ৫-০৫-২০২৫ তাৰিখে আন কিছু জিলাৰ লগতে হাইলাকান্দি জিলাৰ জিলা-আয়ুক্তলৈকো জিলাখনত কেন্দ্ৰীয় বিদ্যালয় খোলাৰ কাৰিকৰী অধ্যয়ণ (To explore Feasibility) কৰি এটা প্ৰস্তাৱ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনোৱা হৈছিল।

৩. ইতিমধ্যে সংখ্যালঘু উন্নয়ণ বিভাগে বিদ্যালয় শিক্ষা বিভাগক জনায় যে ইতিমধ্যে ৰাজ্য চৰকাৰে প্ৰধান মন্ত্ৰীৰ জন বিকাশ কাৰ্যক্ৰম (PMJVK)ৰ অধীনত ১২ টা মডেল ৰেচিডেঞ্চিয়েল স্কুলৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। ইয়াৰ ভিতৰত উপৰোক্ত বন্দুকমাৰা মডেল ৰেচিডেঞ্চিয়েল হাইস্কুলখনৰ নিৰ্মাণো অন্তৰ্ভুক্ত।

৪. ইয়াৰ পিছত ইতিমধ্যে ইং-১১-০৯-২০২৫ তাৰিখে হাইলাকান্দি জিলা আয়ুক্তলৈ প্ৰধান মন্ত্ৰীৰ জন বিকাশ কাৰ্যক্ৰম (PMJVK)ৰ অধীনত নিৰ্মাণ সম্পূৰ্ণ হোৱা হাইলাকান্দি জিলাৰ মডেল ৰেচিডেঞ্চিয়েল হাইস্কুলখন আন্তৰ্গাঠনিক কেন্দ্ৰীয় বিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ উদ্দেশ্যে এটা প্ৰস্তাৱ কেন্দ্ৰীয় বিদ্যালয় সংগঠনলৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনোৱা হয়।

সেইমৰ্মে হাইলাকান্দি জিলা আয়ুক্তই যোৱা অক্টোবৰ, ২০২৫ ত কেন্দ্ৰীয় বিদ্যালয় সংগঠনলৈ ইতিমধ্যে প্ৰস্তাৱ প্ৰেৰণ কৰিছে।

ইয়াৰ পিছত কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ পৰা ৰাজ্য চৰকাৰে পৰৱৰ্তী সিদ্ধান্ত লাভ কৰা নাই।

(খ) এই সন্দৰ্ভত বিতং তথ্য ওপৰৰ (ক) প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা হৈছে।

(গ) এই সন্দৰ্ভত চৰকাৰে পৰৱৰ্তী পৰ্যায়ত প্ৰয়োজন সাপেক্ষে বিবেচনা কৰিব।

**(উক্ত প্ৰশ্নোত্তৰ National e-Vidhan Application (NeVA) পৰ্টেলত উপলব্ধ কৰা হৈছে)**

অসম বিধান সভা

তৰাচিহ্নিত প্ৰশ্ন নং : ৫৪

উত্তৰ দানৰ তাৰিখ : ১৯-০২-২০২৬

*বিষয়* : বন সম্পৰ্কে

শ্ৰী আবুল কালাম ৰশিদ আলম, বিধায়ক :

মাননীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোৱালপাৰা জিলাত কিমান সংৰক্ষিত বনাঞ্চল (Reserve Forest) আৰু কিমান প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল (Proposed Reserve Forest) আছে ? তালিকাসহ তথ্য সহকাৰে জনাব ।

(খ) এই বনাঞ্চল সমূহত কল বাগান, পাম্প ওৱেল, তামোল বাগান, চাহ বাগান আৰু খেতি বাতি কৰি কিমানে বেদখল কৰিছে ? Range area wise জনাব।

(গ) এই Non forest Product সমূহ কেতিয়া উচ্ছেদ কৰি বনাঞ্চল মুক্ত কৰিব ?

(ঘ) সংৰক্ষিত বনাঞ্চল (Reserve Forest) আৰু প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল (Proposed Reserve Forest) ত কিমান মানুহে ঘৰ-বাৰী কৰি বেদখল কৰিছে ? প্ৰত্যেক বনখণ্ড হিচাপে (beatwise) বেদখলকাৰীৰ তালিকাসহ সদনত জনাব ।

(ঙ) হাসিলা ৰাজহ গাঁও (Revenue Village) আগুডুবি ৰাজহ গাঁও (Revenue Village) ভাটিয়াপাৰা ৰাজহ গাঁও (Revenue Village) আৰু ফুটুৰীপাৰা ৰাজহ গাঁও (Revenue village) ত সংৰক্ষিত বনাঞ্চল (Reserve Forest) নাইবা প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল (Proposed Reserve Forest) অন্তৰ্ভুক্ত হয়নে? যদি নহয় এই ৰাজহ গাঁও (Revenue Village) বিলাকত অবৈধ উচ্ছেদ কিয় কৰিলে ?

(চ) চৰকাৰে ইয়াৰ উচ্ছেদিত পৰিয়াল বিলাকক পুনৰ সংস্থাপন, খাদ্য, বাসস্থান নতুবা ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিছেনে ? যদি কৰা নাই কিয় ?

(ছ) এই বিলাক পৰিয়ালৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা চৰকাৰে কেতিয়া কৰিব ? তথ্য সহকাৰে সদনত জনাব ।

**উত্তৰ:**

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী মহোদয়ে উত্তৰ দিব :

(ক) গোৱালপাৰা বন সংমণ্ডলৰ অধীনত ৫৬ খন সংৰক্ষিত বনাঞ্চল (Reserve Forest) আৰু ৪৬ খন প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল (Proposed Reserve Forest) আছে। সংৰক্ষিত বনাঞ্চলৰ তালিকা **সংলগ্ন-১** ত আৰু প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ তালিকা **সংলগ্ন-২** ত দিয়া হ'ল।

(খ) এই বনাঞ্চল সমূহত কল বাগান, পাম্প ওৱেল, তামোল বাগান, চাহ বাগান আৰু খেতি বাতি কৰি বেদখল কৰা তথ্য **সংলগ্ন-৩** ত দিয়া হ'ল।

(গ) বনাঞ্চল সমূহৰ বেদখল পৰ্যায়ক্ৰমে উচ্ছেদ কৰা হ'ব।

(ঘ) সংৰক্ষিত বনাঞ্চল (Reserve Forest) আৰু প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল (Proposed Reserve Forest) মানুহে ঘৰ-বাৰী কৰি বেদখল কৰা তথ্য **সংলগ্ন-৪** ৰে দিয়া হ'ল।

(ঙ) ১/হাহিলা বিল-উচ্ছেদৰ সময়ত হাহিলা বিলক ৰাজহ ভূমি হিচাপে লিপিবদ্ধ কৰা হৈছিল। ৰাজহ বিভাগে প্ৰযোজ্য ৰাজহ আইন অনুসৰি চলাইছিল উচ্ছেদৰ কাৰ্যবিধি।

ইয়াৰ পিছত চৰকাৰে হাহিলা বিল অঞ্চলটোক ২৩.০৭.২০২৫ তাৰিখৰ অধিসূচনাৰ ভিত্তিত প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল (পি আৰ এফ) হিচাপে অধিসূচনা কৰে যাৰ উদ্দেশ্য আছিল জলভূমিৰ পৰিৱেশ তন্ত্ৰৰ বৰ্ধিত সুৰক্ষা আৰু দীৰ্ঘম্যাদী সংৰক্ষণ নিশ্চিত কৰা।

ক্ৰমশ........পৃ/২

২/ পাইকান সংৰক্ষিত বনাঞ্চলৰ বাহিৰত আশুডুবি নামেৰে ৰাজহ গাঁও আছে আৰু পাইকান আৰ এফ ত বেদখলকাৰীয়ে নিজেই বেদখল কৰা বাসস্থানৰ নাম আশুডুবি গাঁৱৰ নামেৰেই দিছে।

৩/ দহিকাটা আৰ এফ সীমান্তৰ সমীপত সোণাপুৰ বটিয়াপাৰা নামেৰে এখন ৰাজহ গাঁও আছে আৰু দহিকাটা আৰ এফ ত বেদখলকাৰীয়ে নিজেই নিজৰ বেদখল কৰা বাসস্থানৰ নাম সোনাপুৰ বটিয়াপাৰা গাঁৱৰ নামত দিছে।

৪/ ফুটিৰিপাৰা সম্পূৰ্ণভাৱে বেদখলকাৰী সকলোৰ অধীনত থকা অঞ্চল । এইটো আংশিকভাৱে ৰাক্ষসিনী PRF এলেকাৰ অধীনত আৰু আংশিকভাৱে দহিকাটা সংৰক্ষিত বনাঞ্চলৰ অধীনত পৰে । ইয়াৰ কিছু অংশ চৰকাৰী ভূমিৰো অধীনত ।

(চ) বন ভূমিৰ পৰা উচ্ছেদিত পৰিয়ালক পুনৰ সংস্থাপন দিয়া বিষয়টো বন বিভাগৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় ।

(ছ) বন ভূমিৰ পৰা উচ্ছেদিত পৰিয়ালক পুনৰ সংস্থাপন দিয়া বিষয়টো বন বিভাগৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় ।

বি.দ্ৰঃ ওপৰত উল্লেখ কৰা সংলগ্নসমূহ https://neva.gov.in/ ত দিয়া হ'ল ।

****

অসম বিধান সভা

*তৰা যুক্ত প্ৰশ্ন নং-৫৫

উত্তৰ দিয়াৰ তাৰিখঃ ১৯/০২/২০২৬

বিধায়কৰ নামঃ শ্ৰী অখিল গগৈ

বিষয়ঃ অসমৰ বিদ্যালয়ৰ গুণগত শিক্ষাৰ অৱস্থা।

**প্ৰশ্নঃ**

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০২৫-২৬ বৰ্ষত অসমৰ চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ তলৰ তথ্যসমূহ সদনত উল্লেখ কৰিবঃ

(১) শিক্ষকবিহীন আৰু এজনীয়া শিক্ষকৰ বিদ্যালয়ৰ মুঠ সংখ্যা।

(২) ৫ শ্ৰেণীযুক্ত বিদ্যালয়ত ৫ জনীয়া আৰু ৬ শ্ৰেণীযুক্ত বিদ্যালয়ত ৬ জনীয়া শিক্ষক থকা (প্ৰধান শিক্ষকক বাদ দি) বিদ্যালয়ৰ মুঠ সংখ্যা।

(৩) শ্ৰেণী অনুসৰি পৃথক পৃথক কোঠা থকা আৰু পৃথক কোঠা নথকা বিদ্যালয়ৰ সংখ্যা।

(৪) স্থায়ী প্ৰধান শিক্ষক নোহোৱা বিদ্যালয়ৰ সংখ্যা।

(খ) অসমৰ কিমান উচ্চ প্ৰাথমিক, উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক আৰু আদৰ্শ বিদ্যালয়ত বিজ্ঞান শিক্ষক, অংক শিক্ষক, ইংৰাজী শিক্ষক, হিন্দী শিক্ষক আদি বিষয় শিক্ষক নিযুক্তি নিদিয়াকৈ খালী হৈ আছে?

(গ) ২০১৬ চনৰ ১ এপ্ৰিলত অসমত কিমানখন চৰকাৰী/চৰকাৰী সাহায্যপ্ৰাপ্ত প্ৰাথমিক, উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয় আছিল আৰু বৰ্তমান অসমত কিমানখন এনে বিদ্যালয় আছে?

**উত্তৰঃ**

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিবঃ

(ক) (১) শিক্ষক বিহীন প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা-০ আৰু এজনীয়া শিক্ষকৰ বিদ্যালয়ৰ মুঠ সংখ্যা-২৬৭০

(২) প্ৰধান শিক্ষকক বাদ দি ৫ শ্ৰেণীযুক্ত বিদ্যালয়ত ৫ জনীয়া বা ততোধিক শিক্ষক থকা বিদ্যালয়ৰ মুঠ সংখ্যা-৪,০৪১ খন আৰু ৬ শ্ৰেণীযুক্ত বিদ্যালয়ত ৬ জনীয়া বা ততোধিক শিক্ষক থকা বিদ্যালয়ৰ মুঠ সংখ্যা-১,৭৩৩ খন।

(৩) শ্ৰেণী অনুসৰি পৃথক পৃথক কোঠা থকা আৰু পৃথক কোঠা নথকা বিদ্যালয়ৰ সংখ্যা তলত দিয়া ধৰণৰ-

| শ্ৰেণীযুক্ত বিদ্যালয়ৰ প্ৰকাৰ | শ্ৰেণীকোঠাৰ সংখ্যা |
|---|---|
| ৫ শ্ৰেণীযুক্ত বিদ্যালয়ত ৫ টা বা ততোধিক শ্ৰেণীকোঠা থকা | ৫,০৮৩ |
| ৬ শ্ৰেণীযুক্ত বিদ্যালয়ত ৬ টা বা ততোধিক শ্ৰেণীকোঠা নথকা | ২৮,৩১১ |
| ৬ শ্ৰেণীযুক্ত বিদ্যালয়ত ৬ টা বা ততোধিক শ্ৰেণীকোঠা থকা | ১,৫৩০ |
| ৬ শ্ৰেণীযুক্ত বিদ্যালয়ত ৬ টা বা ততোধিক শ্ৰেণীকোঠা নথকা | ২১,৮৩৯ |

(৪) স্থায়ী প্ৰধান শিক্ষক নোহোৱা প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা-১৩,৬১৪ খন আৰু উচ্চ প্ৰাথমিকৰ তেনে বিদ্যালয়ৰ সংখ্যা ৩৪০২।

(খ) অসমৰ উচ্চ প্ৰাথমিক, উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক আৰু আদৰ্শ বিদ্যালয়ত বিজ্ঞান শিক্ষক, অংক শিক্ষক, ইংৰাজী শিক্ষক, হিন্দী শিক্ষক আদি বিষয়ৰ খালী পদসমূহৰ বৰ্তমানৰ সংখ্যা তলত দিয়া ধৰণৰঃ

উচ্চ প্ৰাথমিক বিদ্যালয়তঃ সহকাৰী শিক্ষক-৩০০৬, হিন্দী শিক্ষক-১১৯৭, বিজ্ঞান শিক্ষক-৬০২ (মুঠ-৪৮০৫)

উচ্চ মাধ্যমিক বিদ্যালয়তঃ বিজ্ঞান শিক্ষক-১৯২৪, অংক শিক্ষক-৬৫০, কলা-৩৭৫০, হিন্দী-১০৭২ (মুঠ-৭৩৯৬)

উচ্চতৰ মাধ্যমিক বিদ্যালয়তঃ বিজ্ঞান শিক্ষক-৭২, অংক শিক্ষক-৬৬, ইংৰাজী-৯৮, হিন্দী-৬ (মুঠ-২৪২)

ষষ্ঠ অনুসূচীভুক্ত জিলাসমূহৰঃ

উচ্চ মাধ্যমিক বিদ্যালয়তঃ বিজ্ঞান শিক্ষক-১৬৬, অংক শিক্ষক-১০২, কলা-২৪৭, হিন্দী-১৯৮ (মুঠ-৭১৩)

উচ্চতৰ মাধ্যমিক বিদ্যালয়তঃ অংক শিক্ষক-৩২, ইংৰাজী-৩৯, হিন্দী-৫ (মুঠ-৭৬)

(গ) UDISE + ৰ তথ্য অনুসৰি ২০১৬ চনৰ ১ এপ্ৰিলত অসমৰ চৰকাৰী প্ৰাথমিক, উচ্চ-প্ৰাথমিক, উচ্চ তথা উচ্চতৰ মাধ্যমিক চৰকাৰী বিদ্যালয় আৰু বৰ্তমান অসমত এনে বিদ্যালয়ৰ সংখ্যা তলত দিয়া ধৰণৰঃ

| বছৰ | প্ৰাথমিক | উচ্চ-প্ৰাথমিক | উচ্চ-মাধ্যমিক | উচ্চতৰ মাধ্যমিক | মুঠ |
|---|---|---|---|---|---|
| ২০১৬-১৭ | ৩৯,৯৮৬ | ৭,৮৩২ | ৩,৪৮৫ | ৯২৫ | ৫২,২২৮ |
| ২০২৪-২৫ | ৩৩,৩৯৪ | ৬,৩৪৩ | ৩,৩০৭ | ১,২৫৬ | ৪৪,৩০০ |

উক্ত প্ৰশ্নোত্তৰ সমূহ www.cms.neva.gov.in ত উপলব্ধ কৰা হৈছে।

অসম বিধান সভা

*তৰা যুক্ত প্ৰশ্ন নং-৫৬

উত্তৰ দিয়াৰ তাৰিখঃ ১৯/০২/২০২৬

বিধায়কৰ নামঃ মো: নুৰুল হুদা

বিষয়ঃ বিদ্যালয় প্ৰাদেশিকীকৰণ।

**প্ৰশ্নঃ**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) নগাঁও জিলাৰ ৰূপহীহাট বিধান সভা সমষ্টিৰ অন্তৰ্গত National Secondary School, Juria কোন চনত স্থাপিত আৰু কোন চনত Recognize হৈছিল জনাব। তাৰ লগতে চৰকাৰীকৰণৰ পৰা বাদ পৰি থকাৰ কাৰণ জনোৱাৰ লগতে চৰকাৰে এই বিদ্যালয়খনত চৰকাৰীকৰণৰ বাবে কি ব্যৱস্থা হাতত লৈছে বিতং ভাৱে জনাব।

(খ) ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শাখাৰ লগতে কলা শাখা চলি আছেনে? যদি আছে, কিমান চনৰ পৰা চলি আছে? ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ সংখ্যা সহ বিতং ভাৱে জনাব। উক্ত বিদ্যালয়খনত কলা শাখা যদি চলি আছে, তেন্তে প্ৰাদেশিকীকৰণৰ আওতাত কিয় আজিলৈকে নপৰিল? তাৰ বিতং তথ্য সহ সদনত দাখিল কৰিব।

(গ) মাধ্যমিক, উচ্চতৰ মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয় সমূহত কিমান শিক্ষকৰ পদ খালী আছে আৰু সেইখিনি পূৰণৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে, বিতং ভাৱে সদনত পেচ কৰিব।

**উত্তৰঃ**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিবঃ

(ক) নগাঁও জিলাৰ ৰূপহীহাট বিধান সভা সমষ্টিৰ অন্তৰ্গত National Secondary School, Juria ১৯৯৬ চনত প্ৰতিষ্ঠা কৰা হৈছিল আৰু ২০০৫ চনত চৰকাৰী সন্মতি লাভ কৰিছিল। প্ৰাদেশিকীকৰণ আইন, ২০১৭ আৰু সংশোধনী ২০১৮ আইনৰ অনুসৰি, National Secondary School, Juria ত কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰী সকলৰ ৬ (ছয়)বছৰৰ ধাৰাবাহিক উপস্থিতি নিৰ্ণয় কৰিব পৰা নোহোৱাত, সংশ্লিষ্ট বিদ্যালয়খনৰ পদ সমূহ প্ৰাদেশিকীকৰণ কৰিব পৰা হোৱা নাই।

(খ) ২০০৪ চনৰ পৰা ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শাখাৰ লগতে কলা শাখা চলি আছে। উক্ত বিদ্যালয় খনত UDISE+ ত উপলব্ধ তথ্য অনুসৰি ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ ৬০৯ জনা, একাদশ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ কলা শাখাত ৫১২ জন আৰু বিজ্ঞান শাখাত ১৫২ জন, মুঠ ১২৭৩ জন ছাত্ৰ-ছাত্ৰী আছে। মুঠ শিক্ষক শিক্ষয়িত্ৰীৰ সংখ্যা ৩৭ জনা

U-DISE তথ্যৰ বিসংগতিৰ বাবে বিদ্যালয়খন প্ৰাদেশিকীকৰণ কৰিব পৰা হোৱা নাই।।

(গ) উচ্চতৰ মাধ্যমিক, আৰু উচ্চ মাধ্যমিক বিদ্যালয় সমূহত বৰ্তমানে খালী হৈ থকা শিক্ষকৰ পদসমূহৰ সংখ্যা তলত উল্লেখিত কৰা হ'ল –

স্নাতক শিক্ষক - ৯০১১

স্নাতকোত্তৰ শিক্ষক - ১১১৬

সৰ্বমুঠ --------১০১২৭

ইতিমধ্যে চৰকাৰে (General Area District) ত TET- Cum- Recruitment, ১২৬৭ জন স্নাতক শিক্ষক আৰু ৬৪৪০ জন স্নাতকোত্তৰ শিক্ষক, সৰ্বমুঠ ৭৭০৭ জন শিক্ষকক নিযুক্তি প্ৰদান কৰিছে।

ইয়াৰ উপৰি ৪,৫২৯ টা পদ Special Recruitment Drive (SRD) ৰ জৰিয়তে ব্যক্তিগত পদলৈ ৰূপান্তৰ কৰি সংশ্লিষ্ট কৰ্মচাৰী সকলৰ চাকৰি নিয়মীয়াকৰণ কৰা হৈছে।

উপৰোক্ত খালী পদসমূহ পূৰণ কৰাৰ বাবে পৰৱৰ্তী পৰ্যায়ত শিক্ষক নিযুক্তিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**(উক্ত প্ৰশ্নোত্তৰ National e-Vidhan Application (NeVA) পৰ্টেলত উপলব্ধ কৰা হৈছে)**

অসম বিধান সভা

তৰাচিহ্নিত প্ৰশ্ন নং- ৫৭

উত্তৰ দিয়াৰ তাৰিখ- ১৯/০২/২০২৬

বিষয় ঃ বরাক উপত্যকার (কাছাড়, শ্রীভূমি ও হাইলাকান্দি জেলা) শিক্ষা প্রতিষ্ঠানে অসম্পূর্ণ পরিকাঠামো ও শিক্ষক সংকট নিরসন সংক্রান্ত বিষয়ে।

বিধায়ক ঃ শ্রী খলিল উদ্দিন মজুমদার ঃ

মাননীয় বিদ্যালয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) সরকার কি অবগত আছেন যে, বরাক উপত্যকার তিনটি জেলা যথা- কাছাড় জেলা, শ্রীভূমি জেলা ও হাইলাকান্দি জেলা এ অবস্থিত বহু শিক্ষা প্রতিষ্ঠানের পরিকাঠামোগত কাজ এখনো অসম্পূর্ণ অবস্থায় রয়েছে, যেমন- স্কুল বাউণ্ডারি নির্মাণ অসম্পূর্ণ, পর্যাপ্ত ক্লাসরুমের অভাব, দরজা-জানালা ও অন্যান্য মৌলিক সুবিধার ঘাটতি ?

(খ) উক্ত অসম্পূর্ণ পরিকাঠামোগত কাজসমূহ সম্পন্ন করার জন্য বর্তমানে কোনো নির্দিষ্ট তহবিল, প্রকল্প বা পরিকল্পনা বিদ্যমান রয়েছে কি ? যদি না থাকে, তবে সরকার কবে নাগাদ এই কাজগুলির জন্য প্রয়োজনীয় অর্থ বরাদ্দ ও প্রকল্প গ্রহণ করতে চলেছেন- তা সদনকে অবগত করবেন কি ?

(গ) সরকার কি অবগত আছেন যে, বরাক উপত্যকার বহু বিদ্যালয়ে ছাত্র সংখ্যার তুলনায় শিক্ষকের সংখ্যা অত্যন্ত অপ্রতুল, যার ফলে শিক্ষার গুণগত মান মারাত্মকভাবে ব্যাহত হচ্ছে ?

(ঘ) উক্ত শিক্ষক সংকট নিরসনের লক্ষ্যে সরকার কি নতুন শিক্ষক নিয়োগ, শূন্যপদ পূরণ অথবা শিক্ষক পুনর্বিন্যাসের মাধ্যমে কোনো নির্দিষ্ট ও সময়বদ্ধ পদক্ষেপ গ্রহণ করতে চলেছেন ? যদি করে থাকেন, তবে তার বিস্তারিত বিবরণ, বাস্তবায়নের সময়সীমা ও সম্ভাব্য নিয়োগ সংখ্যা সদনে উপস্থাপন করবেন কি ?

ঃ <u>উত্তৰ</u> ঃ

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু দেৱে উত্তৰ দিব ঃ

(ক) বিষয়টো চৰকাৰ অৱগত।
বৰাক উপত্যকাৰ কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ বিদ্যালয়সমূহৰ পৰিকাঠামোগত কাম-কাজ যেনে অতিৰিক্ত শ্ৰেণীকোঠা, চৌহদ বেৰা আৰু মেৰামতি ব্যৱধানসমূহ UDISE+ তথ্যৰ আধাৰত চিনাক্ত কৰা হৈছে আৰু তিনিওখন জিলাৰে বিদ্যালয় অনুযায়ী এইসমূহৰ ব্যৱধানৰ **বিতং তথ্য Annexure-I ত সংলগ্ন কৰা হ'ল।**

(খ) বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ কাম বিভিন্ন আঁচনি যেনে RIDF, NESIDS, PM-SHRI, PM-DevINE যোগেদি ৰূপায়ণ কৰি থকা হৈছে আৰু ভৱিষ্যতেও কৰি থকা হব। কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ নীতি-নিৰ্দেশনা অনুযায়ী সমগ্ৰ শিক্ষা, অসমৰ বাৰ্ষিক কৰ্ম আঁচনি আৰু পৰিকল্পনা অধীনত প্ৰয়োজনসম্পন্ন পৰিকাঠামোগত কাম-কাজসমূহ ৰূপায়ণৰ ক্ষেত্ৰত পৰ্যায়ক্ৰমে প্ৰস্তাৱ ৰখা হব।

(সিপিঠিত.....২)

(গ) শিক্ষকৰ অৱসৰ আৰু বদলিকৰণ বাবে বিষয়টো এটি গতিশীল প্ৰক্ৰিয়া, যিটো বিষয়ত শিক্ষা বিভাগ অৱগত।

প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত খালী পদসমূহ পূৰণৰ বাবে ইতিমধ্যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ৫৫৫০ টা খালী পদৰ বিজ্ঞাপন প্ৰকাশিত হৈছিল আৰু ০৯-১১-২০২৫ তাৰিখে নিযুক্তিৰ প্ৰক্ৰিয়া সম্পন্ন হৈছে, যত বৰাক উপত্যকাৰ অন্তৰ্গত ৬৩৬ খন নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত শিক্ষক নিযুক্তি কৰা হৈছে। তাৰোপৰি প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত ৪৫০০ টা খালী পদৰ বিজ্ঞাপন প্ৰকাশিত হৈছে আৰু নিযুক্তিৰ প্ৰক্ৰিয়া চলি আছে। এই নিযুক্তি প্ৰক্ৰিয়াত বৰাক উপত্যকাৰ লগতে অসমৰ বিভিন্ন বিদ্যালয়ৰ খালী পদসমূহ পূৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নথকা বিদ্যালয়সমূহৰ ক্ষেত্ৰত ইতিমধ্যে Rationalization প্ৰক্ৰিয়াৰে শিক্ষকৰ সমস্যা সমাধান কৰিবলৈ চৰকাৰে এখন অধিসূচনা জাৰি কৰিছে, যত জিলা কৰ্তৃপক্ষক জিলা উপায়ুক্তৰ অনুমোদন সাপেক্ষে Rationalization প্ৰক্ৰিয়াটো সম্পন্ন কৰিব পৰা যাব।

(ঘ) শিক্ষক সংকট দূৰীকৰণৰ বাবে ২০২৫ চনৰ নিয়োগ প্ৰক্ৰিয়াত সমগ্ৰ ৰাজ্যৰ লগতে বৰাক উপত্যকাত মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত তলত উল্লেখ কৰা ধৰণে শিক্ষক নিযুক্তি দিয়া হৈছেঃ-

| জিলা | স্নাতক শিক্ষক | স্নাতকোত্তৰ শিক্ষক | মুঠ |
|---|---|---|---|
| কাছাৰ | ২৮৩ | ৬১ | ৩৪৪ |
| হাইলাকান্দি | ১৭৮ | ২৯ | ২০৭ |
| শ্ৰীভূমি | ১৮৮ | ৬৮ | ২৫৬ |
| সৰ্বমুঠ | | | ৮০৭ |

প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত খালী পদসমূহ পূৰণৰ বাবে ইতিমধ্যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ৫৫৫০ টা খালী পদৰ বিজ্ঞাপন প্ৰকাশিত হৈছিল আৰু ০৯-১১-২০২৫ তাৰিখে নিযুক্তিৰ প্ৰক্ৰিয়া সম্পন্ন হৈছে, যত বৰাক উপত্যকাৰ অন্তৰ্গত ৬৩৬ খন নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত শিক্ষক নিযুক্তি কৰা হৈছে। তাৰোপৰি প্ৰাথমিক শিক্ষা সঞ্চালকালয়, অসমৰ অধীনত ৪৫০০ টা খালী পদৰ বিজ্ঞাপন প্ৰকাশিত হৈছে আৰু নিযুক্তিৰ প্ৰক্ৰিয়া চলি আছে। এই নিযুক্তি প্ৰক্ৰিয়াত বৰাক উপত্যকাৰ লগতে অসমৰ বিভিন্ন বিদ্যালয়ৰ খালী পদসমূহ পূৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

(তৰাচিহ্নিত প্ৰশ্ন নং-৫৭ ৰ উত্তৰ আৰু **Annexure-I** (www.cmsasla.neva.gov.in) eVidhan (NeVA) পৰ্টেলত উপলব্ধ)

==//==

অসম বিধান সভা

তৰাচিহ্নিত প্ৰশ্ন নং : ৫৮

উত্তৰ দানৰ তাৰিখ : ১৯-০২-২০২৬

*বিষয়:* ৰাজহ সংগ্ৰহ / অবৈধ ভাৱে টকা সংগ্ৰহ কৰা।

শ্ৰী নজৰুল হক, বিধায়ক :

মাননীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ধুবুৰী জিলাৰ বনাঞ্চলত কিমান হেক্টৰ ভূমি আছে? তাৰে কিমান ভূমি কি কি কামত ব্যৱহৃত হৈ আছে? বনাঞ্চলৰ ভূমি, ব্যৱহৃত ভূমিৰ বিস্তাৰিত তথ্য সদনত দাখিল কৰিব।

(খ) L & T Co Ltd, Jandu Co Ltd আৰু অন্যান্য সংস্থা সমূহৰ পৰা ধুবুৰী বনসংমণ্ডলৰ অধীনত কিমান চৰকাৰী ৰাজহ জমা হৈছে? বিগত পাঁচ বছৰৰ তথ্য সদনত দাখিল কৰিব।

(গ) উপৰোক্ত ঠিকাদাৰ /সংস্থা সমূহে ধুবুৰী ফুলবাৰী দলং আৰু ৰাস্তা নিৰ্মাণাৰ্থে 'থাৰ্ড স্কেদুল' অনুযায়ী 'প্ৰজেক্ট ক'ষ্টৰ' ওপৰত দিবলগীয়া নিৰ্ধাৰিত ৰাজহ জমা কৰিছেনে ? যদি জমা কৰিছে, কিমান জমা আছে আৰু যদি জমা কৰা নাই কিমান ৰাজহ জমা কৰিবলৈ বাকী আছে ? বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(ঘ) 'থাৰ্ড স্কেদুল' অনুযায়ী চৰকাৰী ৰাজহ আদায় নকৰাৰ আঁৰত কোনো চৰকাৰী বিষয়া কৰ্মচাৰী জড়িত আছে নেকি? যদি জড়িত আছে, চৰকাৰে কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব ?

(ঙ) মাটি আৰু বালি কঢ়িওৱা ট্ৰেক্টৰ, ডাম্পাৰ আদি গাড়ী সমূহৰ পৰা ধুবুৰী বন সংমণ্ডলৰ একাংশ বিষয়া কৰ্মচাৰীয়ে অবৈধ ভাৱে নানা কৌশল অৱলম্বন কৰি বিভিন্ন ভয় ভাবুকিৰে টকা সংগ্ৰহ কৰা বিষয়ে চৰকাৰ অৱগত নে ?

(চ) উক্ত বিষয়া কৰ্মচাৰীৰ বিৰুদ্ধে বিভাগ তথা চৰকাৰে বিহিত ব্যৱস্থা ল'বনে? বিতংভাৱে জনাব।

উত্তৰ:

মাননীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী মহোদয়ে উত্তৰ দিব :

(ক) ধুবুৰী বন সংমণ্ডলৰ অন্তৰ্গত ধুবুৰী জিলাত মুঠ বনাঞ্চল ১৩৪৪.৪ হেক্টৰ। বনভূমি কেৱল বনানীকৰণৰ কামৰ বাবেহে ব্যৱহাৰ কৰা হৈ আছে ।

(খ) যোৱা পাঁচ বছৰৰ ভিতৰত প্ৰশ্নত উল্লেখ কৰা ঠিকাদাৰসকলৰ পৰা ৰাজহ সংগ্ৰহ কৰা হৈছে তলত দিয়া ধৰণে :-

| Name of Contractor | Royalty | MMDRR | DMFT | GST | TCS | Total |
|---|---|---|---|---|---|---|
| Jandu Construction India Pvt. Ltd | 37,935,900 | 3,793,590 | 3,793,590 | 1,896,795 | 967,365 | 48,387,240 |
| L&T | 40,734,135 | 4,073,414 | 4,073,414 | 2,036,707 | 1,038,720 | 51,956,390 |
| R&C Infra engineers and J Infratech (JV) | 3,375,000 | 337,500 | 337,500 | -- | -- | 4,050,000 |
| Bilasipura Guwahati Private Ltd | 3,000,000 | 300,000 | 300,000 | -- | -- | 3,600,000 |
| Shri Balaji Construction Co | 5,900,000 | 590,000 | 590,000 | -- | -- | 7,080,000 |

ক্ৰমশ.......পৃ/২

(গ) ধুবুৰী বন সংমণ্ডলৰ অধীনত চলি থকা ধুবুৰী ফুলবাৰী পথ নিৰ্মাণৰ বাবে তৃতীয় অনুসূচিৰ আৰু আইনৰ অধীনত তলত দিয়া ঠিকাদাৰে জমা কৰা ৰয়েল্টিৰ সবিশেষ। ঠিকাদাৰসকলে নিজৰ প্ৰয়োজন অনুসৰি এই বিভাগত নিজৰ ইনডেণ্ট জমা দিছিল আৰু এতিয়াও কাম চলি আছে । কাম সম্পূৰ্ণ হোৱাৰ পিছত ধুবুৰী আৰু অন্যান্য বন বিভাগৰ সৈতে সংকলন কৰি বাকী ৰয়েল্টি কৰ্তন কৰা হব।

| Name of Contractor | Project Cost | Applicable Royalty | Royalty Deposited in Dhubri Forest Division |
|---|---|---|---|
| Jandu Construction India Pvt. Ltd | 453,90,00,000 | 13,61,70,000 | 37,935,900 |
| R&C Infra engineers and J Infratech (JV) | 257,50,00,000 | 7,72,50,000 | 33,75,000 |
| Bilasipura Guwahati Private Limited | 575,00,00,000 | 17,25,00,000 | 30,00,000 |
| Shri Balaji Construction Co | 206,88,13,211 | 12,41,28,792 | 59,00,000 |

(ঘ) ধুবুৰী বন সংমণ্ডলৰ অধীনত এনে কোনো তথ্য উপলব্ধ নাই।

(ঙ) ধুবুৰী বন সংমণ্ডলৰ অধীনত এনে কোনো তথ্য উপলব্ধ নাই।

(চ) যদি এই সন্দৰ্ভত কোনো তথ্য পোৱা যায়, তেন্তে নিয়ম অনুসৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হব।

****

অসম বিধান সভা
মৌখিক উত্তৰৰ বাবে প্ৰশ্ন নং ৫৯
উত্তৰ দিয়া তাৰিখ ১৯/২/২০২৬

বিষয় : **স্বায়ত্ত শাসিত পৰিষদৰ উন্নয়ন।**

**শ্ৰী যাদৱ স্বৰ্গীয়াৰী : বিধায়ক**

মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) সোণোৱাল কছাৰি, বড়ো কছাৰি, ঠেঙাল কছাৰি আৰু মিচিং স্বায়ত্ত শাসিত পৰিষদৰ অধীনৰ অঞ্চল সমূহৰ উন্নয়নৰ বাবে বিগত ১০ বছৰত প্ৰদান কৰা মুঠ পুঁজিৰ পৰিমাণ কিমান ? এই ধন সমূহৰ ব্যৱহাৰৰ খতিয়ান সমূহৰ বিৱৰণ সহ বিতং তথ্য দাঙি ধৰিব।

খ) সোণোৱাল কছাৰি, মেছ কছাৰি, ঠেঙাল কছাৰি আৰু মিচিং স্বায়ত্ত শাসিত পৰিষদসমূহৰ অধীনত ৰূপায়ণ কৰা উন্নয়ন আঁচনিসমূহৰ ক্ষেত্ৰত-

(i) প্ৰতিটো পৰিষদে বিগত ১০ বছৰত কিমানটা প্ৰকল্প গ্ৰহণ কৰিছে আৰু তাৰ ভিতৰত কিমানটা সম্পূৰ্ণ, কিমানটা অসম্পূৰ্ণ অথবা পৰিত্যক্ত অৱস্থাত আছে ?

(ii) এই প্ৰকল্প সমূহ বাছনি কৰাৰ সময়ত সংশ্লিষ্ট গাঁও সভা বা স্থানীয় জনগোষ্ঠীৰ পৰামৰ্শ আৰু সন্মতি লোৱা হৈছিল নে ?

(iii) পৰিষদসমূহৰ অধীনত ব্যয় হোৱা ধনৰ ওপৰত কোনো সামাজিক নিৰীক্ষণ (Social Audit) বা তৃতীয় পক্ষীয় মূল্যায়ন কৰ হৈছিল নেকি? যদি কৰা হৈছে, তেন্ত উক্ত নিৰীক্ষণৰ পৰ্য্যবেক্ষণসমূহ আৰু তাৰ আধাৰত গ্ৰহণ কৰা সংশোধনীমূলক ব্যৱস্থাৰ বিৱৰণ দাখিল কৰিব।

**জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মাননীয় মন্ত্ৰী ডাঃ ৰনোজ পেগু মহোদয়ে উত্তৰ দিব :**

**উত্তৰ**

ক) সোণোৱাল কছাৰী, বড়ো কছাৰী, ঠেঙাল কছাৰী আৰু মিচিং স্বায়ত্ত শাসিত পৰিষদৰ অধীনৰ অঞ্চল সমূহৰ উন্নয়নৰ বাবে বিগত ১০ বছৰত প্ৰদান কৰা মুঠ পুঁজিৰ পৰিমাণ ১৪৬৩.৭৩৯৫ কোটি । ব্যৱহাৰৰ খতিয়ান অনুৱদ্ধ "ক" ত দিয়া হ'ল ।

খ) মেছ কছাৰিৰ বাবে স্বায়ত্তশাসিত পৰিষদ গঠন কৰা হোৱা নাই ।

(i) বৰ্ষ ভিত্তিত বিগত ১০ বছৰত সোণোৱাল কছাৰি, ঠেঙাল কছাৰী আৰু মিচিং স্বায়ত্তশাসিত পৰিষদে গ্ৰহণ কৰাৰ প্ৰকল্পৰ সংখ্যা অনুৱদ্ধ "খ" ত দিয়া হ'ল । ঠেঙাল কছাৰীৰ ২০২৪-২৫ বৰ্ষৰ ১৮৫টা প্ৰকল্পৰ বাহিৰে বাকি গোটেই কেইটা সম্পূৰ্ণ হৈছে । অসম্পূৰ্ণ বা পৰিত্যক্ত অৱস্থাত নাই।

(ii) হয়, প্ৰতিবছৰে আঁচনি অন্তৰ্ভূক্ত কৰাৰ বাবে গাঁওসভা অনুষ্ঠিত কৰা হৈছে। কোনো অঞ্চলত প্ৰকল্প ৰূপায়ন কৰাৰ পূৰ্বেৰ সংশ্লিষ্ট গাৱত ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়, পঞ্চায়তৰ পৰাও এন অ চি লোৱা হয়। পৰিষদৰ নিৰ্বাচিত সদস্য জনে স্থানীয় জনগোষ্ঠীৰ পৰামৰ্শ মতে আঁচনি লয়।

(iii) স্বায়ত্ব শাসিত পৰিষদত ব্যয় হোৱা পুঁজিৰ চছিয়েল অডিট (Social Audit) হোৱা নাই। কিন্তু প্ৰত্যেক বিত্তীয় বৰ্ষৰ হিচাপ সমূহ Director of Audit (Local Fund), Assam এ পৰীক্ষা কৰি আহিছে। ইয়াৰ উপৰিও বিত্তীয় বৰ্ষৰহিচাপ সমূহ Principal Accountant General (Audit), Assam য়েও review কৰে।

অসম বিধান সভা

মৌখিক উত্তৰৰ বাবে প্ৰশ্ন নং ৬০

উত্তৰ দিয়া তাৰিখ ১৯/২/২০২৬

বিষয় : **ছয় জনগোষ্ঠীৰ জনজাতিকৰণ** ।

**শ্ৰীপোনাকণ বৰুৱা : বিধায়ক**

মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমৰ মটক, মৰাণ, টাই আহোম, চুতীয়া, কোচ-ৰাজবংশী আৰু চাহ জনগোষ্ঠী আদিবাসী লোক সকলক জনজাতি মৰ্য্যাদা প্ৰদানৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

খ) উক্ত জনগোষ্ঠী কেইটাই কেতিয়াৰ ভিতৰত জনজাতিৰ মৰ্য্যাদা লাভ কৰিব ?

জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মাননীয় মন্ত্ৰী ডাঃ ৰনোজ পেগু মহোদয়ে উত্তৰ দিব :

**উত্তৰ**

ক) অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰা প্ৰক্ৰিয়াটো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। কেন্দ্ৰীয় চৰকাৰে এই বিষয়ত ৰাজ্য চৰকাৰক এখন মন্ত্ৰী গোটৰ কমিটি গঠন কৰি ৰাজ্যত বৰ্তমানে থকা জনজাতি সকলৰ সুবিধা সমূহ কৰ্তন নোহোৱাকৈ এই ছয় জনগোষ্ঠীক কেনেকৈ জনজাতিকৰণ কৰিব পৰা যাব তাৰ ওপৰত এক প্ৰতিবেদন বিচাৰিছে । এই কমিটিয়ে যোৱা নৱেম্বৰত বহা বিধান সভাৰ শীতকালীন অধিবেশনত এই প্ৰতিবেদন দাখিল কৰে ।

খ) যিহেতু বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ লগত জড়িত, নিদিষ্ট সময়সীমা নিৰ্দ্ধাৰণ কৰিব পৰা নাযায় ।

এই উত্তৰৰ প্ৰতিলিপি neva portal ত আপলোড কৰা হৈছে ।